# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ৯/২/২০২৪ শুকুৰবাৰ**

---

**পুৱা ৯.০০ বজাৰ লগে লগে অসম বিধান সভাৰ বাজেট অধিবেশন,২০২৪ চনৰ ইং ০৯-০২-২০২৪ তাৰিখৰ সদনৰ কাৰ্য্যক্ৰমণিক মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত আৰম্ভ হয় ।**

**( ৯.০০ বজাত মাননীয় অধ্যক্ষ মহোদয়ৰ সদনত প্ৰৱেশ)**

**মাননীয় অধ্যক্ষ ঃ** নমস্কাৰ, এতিয়া কোৱেশ্চন নং- ৬১, শ্ৰীদিগন্ত বৰ্মন ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰীদিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** অধ্যক্ষ মহোদয়, মই মোৰ প্ৰশ্নৰ উত্তৰটো পাইছো । কিন্তু কথাটো হ'ল যে, অসমত যি এই ৩৩,৬৫৬ গৰাকী আশা কৰ্মী নিয়োজিত হৈ আছে আমি যদিও কওঁ আশা কৰ্মীসকল ভলেন্টিয়েৰী বা চোচিয়েল এক্ৰিডিট হেল্থ এক্টিভেট- এই আশা কৰ্মীসকলে আমাৰ স্বাস্থ্য বিভাগত যথেষ্ট অৰিহনা যোগাই আহিছে বিশেষকৈ কোভিডৰ সময়ত তেখেতসকলে যথেষ্ট কষ্টকৰ কাম কৰিছে আৰু তেখেতসকলে যিটো মজুৰি পায় বুলি মাননীয় মন্ত্ৰী মহোদয়ে সদনত যিটো উত্তৰ দিছে যে ৰাজ্যচৰকাৰৰ পৰা ১ হাজাৰ টকা আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা ২ হাজাৰ টকা পায়। অসম চৰকাৰৰ যি এক হাজাৰ টকা সেইটো তেওঁলোকে নিয়মীয়কৈ নাপায় বুলি মোৰ ওচৰত অভিযোগ কৰিছে গতিকে এই ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছো যে আমি যদি চাওঁ হাৰিয়ানাত আশা কৰ্মীসকলে ষ্টেট গৰ্ভমেন্টৰ পৰা ৮১০০ টকা অন্ধ্ৰ প্ৰদেশৰ পৰা ১০,০০০ টকা তামিলনাডুৰ পৰা ৫,৫০০ টকা পশ্চিমবঙ্গত ৬০০০ টকা , মধ্যপ্ৰদেশ ৬০০০, মহাৰাষ্ট্ৰ ৮০০০ কেৰেলাত ৯০০০ হাজাৰ পডুচেৰীত ১০,০০০ পায় , মই আৰু অন্যবিলাক ক'বলৈ নাযাওঁ । এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো যে, আশা কৰ্মীসকলৰ মানৱীয় দিশটো অলপ বিবেচনা কৰিব লাগে । মই কওঁ যে তেখেতসকলক অতি ক'মেও মাহত ১০ ৰ পৰা ১৫ হাজাৰ টকালৈকে বা দেশৰ অন্য ৰাজ্যৰ লগত সমপৰ্য্যায়ত পাৰিতোষিক দিয়াৰ ব্যৱস্থা কৰিব লাগে । আৰু লগতে তেওঁলোকক কৰ্মী হিচাপে নিয়মীয়াকৰণ কৰিব লাগে । এই কথাটো মই একজেক্টলী নকওঁ যিহেতু চৰকাৰৰ এই বিষয়ে প্ৰচিডিওৰ আছে । কিন্তু তেওঁলোকৰ পাৰিতোষিকটো অলপ বৃদ্ধি কৰাৰ বাবে চেষ্টা কৰিবনেকি ?

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰৰ ৰিপ্লাই ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, আশা কৰ্মীসকলৰ কথা আমাৰ বিধায়ক গৰাকীয়ে যি ধৰণে কৈছে তেওঁলোকৰ নিয়োগ তেনেধৰণে নহয় । তেওঁলোক স্বেচ্ছাসেৱী কৰ্মী হিচাপেহে নিয়োগ হয় । তেখেতসকলৰ যিটো পাৰিতোষিক আমাৰ এক হাজাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ দুই হাজাৰ , মুঠ তিনি হাজাৰহে যে পাই আছে সেইটো নহয় । আপুনি যেনেকৈ অন্য ৰাজ্যৰ কথা কৈছে যে, তাত তেওঁলোকে ইমান ইমান পাই আছে কিন্তু আমাৰো আশা কৰ্মীসকলেও কোনোবা মাহত ২০-২৫ হাজাৰলৈকে পায়। আমাৰ যিবিলাক স্কীম আছে সেই স্কীমবিলাকৰ জৰিয়তে তেওলোকে ইনটেচিভ পাই পাই গৈ থাকে।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** নাই নাই আমাৰ আশা কৰ্মীয়ে ২০-২৫ হাজাৰ টকা নাপায় ।

**মাননীয় অধ্যক্ষ ঃ** প্লিছ আপুনি বহক। ইন্টাৰাপ্ট নকৰিব মন্ত্ৰীক ৰিপ্লাই দিবলৈ দিয়ক ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** মই কৈছো যে তেওঁলোকে কোনোবা মাহতহে ২০-২৫ হাজাৰ টকা পায়। ১০- ১৫ হাজাৰকৈ টকাতো পায়েই সেইটোত সন্দেহ কৰিবলগীয়া একো নাই । কাৰণ বৰ্ত্তমান আয়ুস্মান কাৰ্ড কৰা হৈছে । সেই কাৰ্ড কৰিবলৈও আমি তেওঁলোকক পইচা দিওঁ আৰু মানুহৰ ঘৰত দিবলৈ যাওঁতেও পইচা দিওঁ । ঠিক এনেধৰণে প্ৰতিটো স্কীমৰ বাবে তেওঁলোকে পইচা পায় । ধৰক কোভিডৰ সময়ত তেওলোকে যথেষ্টখিনি কষ্ট কৰিছে তাৰ বাবতো আমি অতিৰিক্তভাৱে পইচা দিছো । আজি কেইদিনমান আগতে কেন্দ্ৰীয় বাজেটত ঘোষণা কৰিছে যে, আশা আৰু অঙ্গনবাদী কৰ্মীসকলক হেলথ্ ইনচুৰেন্স স্কীমত অৰ্ন্তভূক্ত কৰা হ'ব। গতিকে তেখেতসকলে ৫ লাখ টকাৰ ভিতৰত এটা হেল্থ ইনচুৰেন্স পাব । আগতে তেওঁলোকৰ ৰিটায়াৰমেন্ট বেনিফিট একো নাছিল বৰ্তমানে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক নিৰ্দেশ দি কেবিনেটত পাছ কৰিছে যে তেখেতসকলৰ ৬০ বছৰ হোৱাৰ পিচত যেতিয়া তেখেতসকলে বিদায় ল'ব সেই সময়ত তেওঁলোকক ২ লাখ টকা আৰু চুপাৰভাইজাৰ হ'লে ৩ লাখ টকাকৈ পাব । এই টকাৰ সংখ্যা অলপ কম হৈছে বুলি ব্যখ্যা দিব পাৰে কিন্তু ইতিমধ্যে এইটো আৰম্ভ কৰা হৈছে হয়তো আগলৈ বঢ়াব পৰা স্ক'প আছে ।

**শ্ৰীদিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** মাননীয় মন্ত্ৰী মহোদয়, মই আপোনাক এটা কথা আহ্বান জনাও যে আমাৰ ইয়াৰ পৰা যদি কোনোবা বিষয়াই ভাৰতৰ অন্য ৰাজ্যলৈ পঠিয়াই তাৰ আশা কৰ্মীসকলে কি ধৰণে পাৰিতোষিক পাই আছে সেই কথা অলপ ষ্টাডি কৰি লৈ আহে আৰু অন্তত কিছু হ'লেও বঢ়াই দিয়াৰ চেষ্টা কৰিব লাগে ।¯ এইবাৰ প্ৰয়োজন হ'লে বাজেটত এই কথাটো আনিব লাগে আৰু আমাৰ ষ্টেটৰ যিটো এক হাজাৰ টকা দিয়ে এইটো বৃদ্ধি কৰিব লাগে । অন্তত ৫ হাজাৰ টকা কৰিব লাগে ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয় , তেখেতে যিখিনি তথ্যৰ কথা কৈছে সেইখিনি তথ্য আমাৰ হাতত আছে । তেখেতে যিটো কৈছে , আমাৰ আশা কৰ্মীসকলেও আমাক লগ পালে কৈ থাকে । কিন্তু মই যেতিয়া তেকেতসকলক কওঁ যে তিনি হাজাৰ পাৰিতোষিক হ'লেও আপোনালোকে ইমান ইমান পাই আছে। তেতিয়া কৈছে ছাৰ পাওঁ কিন্তু এইটোতো ফিক্সড নহয় । গতিকে আমি যিখিনি আপোনালোকে কৈছে এইটো আমি বিবেচনা কৰিম ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ এটা চাপ্লিমেন্টৰী আছে ।

**মাননীয় অধ্যক্ষ ঃ** অকল কোৰেশ্যন কৰক ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** ঠিক আছে অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ২০-২৫ হাজাৰলৈ টকা কেতিয়াবা পায় । মোৰ ওচৰত আশা কৰ্মীসকলৰ মাষ্টাৰ ক্লেইম প্ৰপত্ৰ আছে । তাত যদি চায় এটা এটা কামৰ কাৰণে হায়েষ্ট ৫০০ টকা পায় । এগৰাকী গৰ্ভৱতী মহিলা গোটেই সময়ছোৱা পৰচৰ্য্যা কৰি গৈ চৰকাৰী হস্পিটেলত যদি কেঁচুৱা জন্ম দিয়ে তেতিয়া ৫০০ টকা পায় । যদি প্ৰসুতি গৰাকীয়ে ঘৰত জন্ম দিয়ে পইচাটো নাপায় । আশা কৰ্মীয় ইমান চাৰ্ভিছ দিয়াৰ পিচত ৰাজ্য চৰকাৰে যিটো এক হাজাৰ টকা দিয়ে সেইটোও নিয়মীয়াকৈ নিদিয়ে আৰু কেন্দ্ৰীয় চৰকাৰে দিয়া দুই হাজাৰ টকা ধৰি মুঠ ৩০০০ টকা যিটো পায় সেইটো দি কোনো মানুহে আজিৰ দিনত চলিব নোৱাৰে। আৰু কেতিয়াবা এমাহত কোনোবা আশা কৰ্মীয়ে এই ক্লেইমৰ পৰা ১৫০০ টকাও নাপায় । আৰু এটা কথা মন্ত্ৰী মহোদয়ে ক'লে যে ৰিটায়াৰমেন্ট বেনেফিট হিচাপে - ২-৩

লাখ টকা দিয়া হৈছে। গাওঁবুড়াসকলক ৰিটায়াৰমেন্টপ পিচত ৫ লাখ টকা দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰি থৈছিল সেইটো কিন্তু আজিলৈকে নহ'ল । অন্যান্যসকলোকে ঘোষণা কৰি থৈছে কিন্তু দিয়া নাই । এতিয়া আশা কৰ্মী বহুতে ৰিটায়াৰড কৰিলে তেওলোককো দিয়া নাই । এতিয়া তেখেতে কৈছে এতিয়া আশা কৰ্মী আৰু অঙ্গনবাদী কৰ্মীসকলক নতুন ইনটেনচিভ দিব গতিকে সেই কাৰণে মন্ত্ৰী মহোদয়ক এইটো প্ৰশ্ন কৰিব পাৰো নেকি যে, আশা কৰ্মীসকলক ৰেগুলাৰ যিটো পাৰিতোষিক এক হাজাৰ টকা দিয়ে সেইটো অন্তত ১০ হাজাৰ কৰিবনে, আৰু ইনটেচিভৰ যিখন তালিকা তাত আৰু কিছু বৃদ্ধি কৰি আৰু কিছু সা সুবিধা তেওঁলোকক দিবনে ?

**মাননীয় অধ্যক্ষ ঃ** অলৰেডী ইয়াৰ উত্তৰ মন্ত্ৰী ডাঙৰীয়াই দিলে ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমেই কৈছো যে, আশা কৰ্মীসকল স্বেচ্ছাসেৱী ব্যক্তি । সেই কথাখিনি মনত ৰাখি বাকী কথা নিৰ্দ্ধাৰিণ হ'ব ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ অধ্যক্ষ মহোদয় , আমিও স্বেচ্ছাসেৱী আমি কিন্তু ১,৭২,০০০ টকা দৰমহা পাওঁ । কিন্তু তেওঁলোকে ৩০০০ টকা পায়।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ প্লিছ ... ডন্ট ইনটাৰাপ্ট এইটো কোৱেশ্বন আৰাৰ ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ এইটোতো অন্যায় । আশাৰ লগতে অঙ্গনবাদী কৰ্মীসকলৰো দৰমহা বঢ়াব লাগে।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, অলৰেডী মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো প্ৰতিশ্ৰুতি দিছিল সেইমতে আমি ৰিটায়াৰমেন্ট বেনেফিট আৰম্ভ কৰিছো । দুই লাখ আৰু তিনি লাখ টকা । মই বাৰে বাৰে কৈছো আৰু এবাৰ কওঁ তেওলোকে প্ৰতিমাহে যিটো পায় আৰু আন আন স্কীমৰ পৰা যিটো পায় তাক লৈ টোটেল ইনকাম যিটো পায় সেইটো ইয়াত যেনেধৰনে কৈছে তেনেকৈ নহয় ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে এতিয়া কোৱেশ্বন নং- ৬২ শিবামনি বৰা ।

**শ্ৰীমতী শিবামনি বৰা, বটদ্ৰবা ঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ কোৱেশ্যনৰ লিখিত উত্তৰ মন্ত্ৰী মহোদয়ে দিলে ।অধ্যক্ষ মহোদয় , অসমত বৰ্ত্তমান এইচ আই ভি আক্ৰান্তৰ সংখ্যা দিনে দিনে বৃদ্ধি পাই গৈছে । এইটো চিন্তনীয় কথা । ড্ৰাগছ ব্যৱসায়ী আৰু ড্ৰাগছ আসক্তৰ পৰা প্ৰায় পঞ্চাশ শতাংশ এইচ আই ভি পজিটিভ হৈছে । দেখা পোৱা গৈছে কোভিদ ৰ পিছৰ পৰা এইচ আই ভিক লৈ সজাগতাৰ বাবে প্ৰচাৰ অলপ কমি যোৱা দেখিবলৈ পোৱা গৈছে । আমাৰ চুবুৰীয়া ৰাজ্যত অল ইণ্ডিয়া এভাৰেজতকৈও বেছিকৈ বৃদ্ধি পাই গৈ আছে ।

এইটো এটা চিন্তনীয় বিষয়। নগাওঁ মাননীয় মন্ত্ৰী মহোদয়ৰো গৃহ জিলা, মোৰ গৃহ জিলা। নগাওঁ জিলা এতিয়া অসমৰ থাৰ্ড হায়েষ্ট জিলা এইচ আই ভি আক্ৰান্তৰ সংখ্যাৰ ফালৰ পৰা । ইয়াত আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে । গতিকে এই সময়ত যদি আমি সঠিক পদক্ষেপ নলওঁ আমাৰ যুৱ সমাজ ভয়ংকৰ সমস্যাৰ গৰাহত পৰিব। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এইচ আই ভি কন্ট্ৰ'লৰ বাবে বিভাগে কি ব্যৱস্থা হাতত লৈছে ইতিমধ্যে বা আগলৈ ল'ব ? ধন্যবাদ।

বি বি

**শ্ৰীমতী শিৱামণি বৰা, বিধায়িকা (বটদ্ৰৱা) ঃ**........ ক্ৰমশ......... মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে HIV প্ৰতিৰোধ কৰাৰ কাৰণে

তেখেতসকলৰ বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে বা কৰিব ?

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আজি সদনত প্ৰশ্ন আকাৰে উত্থাপন হোৱাত মই ধন্যবাদ জনাইছো। এইটো এটা খুব প্ৰয়োজনীয় বিষয় হৈ আছিল। বৰ্তমান আমি HIV ৰ ক্ষেত্ৰত কি কি ব্যৱস্থা কৰিব পাৰিছো তেখেতসকলে কৈছে। আমাৰ অসমত আসম  এইছ কণ্ট্ৰোল ছ'ছাইটি ১৯৯৮ চনতে গঠন হৈছিল আৰু তাৰ পিছত আমি Antiretroviral Therapy আমাৰ কেন্দ্ৰ সমূহত গ্ৰহণ কৰি আছো, বৰ্তমান আমাৰ ৰাজ্যত তেনেকুৱা ৫২ টা মান কেন্দ্ৰ আছে। আমি আটাইখিনি কেন্দ্ৰত ইয়াৰ কাম কৰি থকা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰিও ৬ টা OST চাব-চেণ্টাৰ আৰু বাৰ টা চেটেলাইট OST চেণ্টাৰ আছে। জিলা খনৰ চিকিৎসালয় সমূহত এনেকুৱা OPD, OST চেণ্টাৰ আৰু টেষ্টিং চেণ্টাৰ আমি ৰাখিছো। তৰোপৰিও আমি এই টেষ্টিংৰ ক্ষেত্ৰত কাউঞ্চিলিঙৰ কাৰণে ৪৫০ খন ICTC সমগ্ৰ অসমৰ বিভিন্ন চিকিৎসালয়, অসমাৰিক চিকিৎসালয়, চাব-চেণ্টাৰ আৰু পি এইছ ই সমূহত ৰাখিছো। ১২৭ টা Stand Alone আৰু ৩৪৩ টা য'ত Integrated ICTC আছে, তাত এইখিনি সুবিধা আছে। গতিকে এনেধৰণৰ ব্যৱস্থা ভালেখিনি লোৱা হৈছে। ইয়াৰ উপৰিও জেলত ইতিমধ্যে চেণ্টাৰ বহুৱাইছো। তেখেতে যিটো বৃদ্ধিৰ কথা কৈছে সেইটো সঁচাকৈ হৈছে । ২০০২ চনৰ পৰা ২০২৩ চনলৈ পৰীক্ষা কৰিছিলো ৮৯,৮৪,৫১৯ জনক আৰু ৩১,৭২৯ জন পজিটিভ বুলি ওলাইছে। ২০২৩ চনৰ ডিচেম্বৰ মাহলৈ যোৱা এক বছৰ যি পৰীক্ষা কৰিলো তাত ৯,৯০,৩৭২ জনক পৰীক্ষা কৰিলো আৰু ৫,৭৯১ গৰাকী পজিটিভ বুলি ওলাইছে। নগাওঁৰ লগতে কোনকেইখন জিলাত যথেষ্ট বৃদ্ধি হৈছে, তাৰ তথ্য আমাৰ ওচৰত যথেষ্ট খিনি আছে আৰু আপোনালোকক প্ৰয়োজন হ'লে আমি দাখিল কৰিব পাৰিম। আমি ইয়াৰ ওপৰত সেই ধৰণে ব্যৱস্থাও লৈছো। আমি বহু এন জি অ' ক দায়িত্ব দিছো আৰু তেওঁলোকে সাধাৰণ ৰোগীৰ ক্ষেত্ৰত যিখিনি কাম কৰিব লাগে সেইখিনি কৰি আছে। কিন্তু এটা কথা যে এইখিনিৰ আমি বহুল প্ৰচাৰ কৰিব নোৱাৰো। কাৰণ আইন মতে ইয়াৰ প্ৰচাৰ কৰাটো বন্ধ আছে। সেইকাৰণে কাৰোবাৰ প্ৰশ্নত যদি বিতংভাৱে বিচৰা হৈছে আমি কাৰো নাম উল্লেখ কৰিব নোৱাৰো। কেৱল সংখ্যাহে দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰূপক শৰ্মা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰূপক শৰ্মা, বিধায়ক (নগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন আহিছে HIV বা AIDS ৰ ওপৰত। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব খুজিছো যে ১ডিচেম্বৰ বিশ্ব AIDS দিৱস আৰু এইবাৰ ১ ডিচেম্বৰত নগাওঁত এখন সজাগতা সভা হৈছিল। তাত মোক নিমন্ত্ৰণ কৰিছিল আৰু মই গৈছিলো। তাত যিটো সংখ্যা দেখা পালো ৩০৪৯ টা। মই ইমান বৃদ্ধি হোৱাৰ কাৰণ সুধিলো আৰু তেওঁলোকে চাৰিটা কাৰণ ক'লে- ড্ৰাগছ সেৱন কৰা বৃদ্ধি হোৱাৰ ফলত তেওঁলোকে একেটো বেজী বহুজনে ব্যৱহাৰ কৰে আন কাৰণ হৈছে ড্ৰাগছ আক্ৰান্ত গৰ্ভৱতী মহিলাৰ উপযুক্ত চিকিৎসাৰ অভাৱত তেওঁৰ প্ৰসৱ হ'বলগীয়া শিশুটিৰ AIDS আক্ৰান্ত হয়, অ-সুৰক্ষিত যৌন সম্পৰ্কৰ ফলত বা অ-সুৰক্ষিতভাৱে যেতিয়া তেজ গ্ৰহণ কৰে। কথাটো হৈছে যে যিসমূহ AIDS আক্ৰান্তৰ কাৰণে শিবিৰ আছে, তাত যেতিয়া মানুহবোৰ লৈ গৈ পৰীক্ষা কৰোৱা হয় বা যিবোৰ ঠাইত তেওঁলোকে AIDS আক্ৰান্ত হ'ব পাৰে বুলি পৰীক্ষা কৰে তাত এই সংখ্যাটো ওলাইছে। এটা কথা ঠিক যে বৰ্তমান সময়ত AIDS আক্ৰান্ত হৈ মানুহ মৃত্যু মুখত নপৰে বা তেনেধৰণৰ ভয় কৰিবলগীয়া কথা নাথকে। কিন্তু আজি যিহেতু বিধান সভাত ইয়াৰ বিষয়ে ওলাইছে আৰু এই ৩১,৭২৯ সংখ্যাটো কেৱল শিৱিৰত

মাতি নি পৰীক্ষা কৰা সকলৰহে পোৱা গৈছে। কিন্তু ইয়াৰ সংখ্যা আৰু বেছি হ'ব। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে আৰু বেছি সজাগতা গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিকেইটা কাৰণ কৈছে, তাৰে এটা মুখ্য কাৰণ আগতে আছিল অ-সুৰক্ষিত যৌন সম্পৰ্ক। বৰ্তমান ড্ৰাগছ, যিটো বেজীৰ দ্বাৰা লোৱা হয় আৰু তৃতীয় লিংগৰ ব্যক্তি আৰু পথৰ দাঁতিত বাস কৰা লোকসকৰ পৰা বিশেষকৈ ট্ৰাক চালক বা প্ৰব্ৰজনকাৰী সকলৰ পৰা হয়। অসমত বেছি হোৱাৰ

আৰু এটা কাৰণ হৈছে অসম এখন মধ্যস্থলী স্থান। য'ত সকলো ৰাজ্যৰ পৰা মানুহ আহে। আমি ইয়াত বিহাৰ, অন্ধ্রপ্রদেশ, অৰুণাচল প্রদেশ আদি ৰাজ্যৰ মানুহক চিকিৎসা কৰি আছো। আমি তেওঁলোকৰ সকলো তথ্য ৰাখিছো। বৰ্তমান বেজীৰ দ্বাৰা ড্ৰাগছ লোৱাটোৱেই সংক্রমণৰ মুখ্য কাৰণ হৈছে। ড্ৰাগছৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ দ্বাৰা যদিও এইক্ষেত্ৰত আগতকৈ কিছু কম হৈছে, কিন্তু এইটোৱেই AIDS সংক্রমণৰ মুখ্য কাৰণ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্রশ্ন নং-৬৬।

**শ্ৰী অশোক সিংঘাল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ণ পৰিকল্পনা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, বিধায়ক (সোণাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ণ পৰিকল্পনা মন্ত্ৰী মহোদয়ক মই অৱগত কৰিব বিচাৰিছো যে আমাৰ চৰাইদেউ জিলাৰ সদৰ হৈছে, সোণাৰি। এই সোণাৰি পৌৰসভা এলেকাৰ নগৰ খনত যিবিলাক ৰাস্তা আৰু নলা-নৰ্দমা আছে, তাত বহুখিনি কাম কৰা হৈছে বুলি মাননীয় মন্ত্ৰী মহোদয়ে মোক উত্তৰত জনাইছে। কিন্তু সেইখিনিৰ বাহিৰেও বহুখিনি কাম থাকি গৈছে। এই নলা-নৰ্দমাসমূহ কৰি আমি যদি নগৰখন সজাবলগীয়া হয় আমাৰ বহুখিনি কাম কৰিবলগীয়া আছে। এই সোণাৰি নগৰখনক আমাৰ গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱাদেৰৰ জন্মস্থান। তেখেত জোনাকী মেলৰ স্ৰষ্টা। আমাৰ পানীৰ নিষ্কাষণৰ বাবে নলা-নৰ্দমাসমূহ নিৰ্মাণৰ অতি প্ৰয়োজনীয়তা আছে বুলি আমি ভাৰিছো। সৰ্বসাধাৰণ ৰাইজৰ কেতিয়াবা বহুতো অভিযোগ উঠে। .......ক্ৰমশ......

চি চি

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ(সোনাৰি)ঃ** ...ক্ৰমশ..........আমাৰ সৰ্বসাধাৰণ ৰাইজৰ কেতিয়াবা বহুতো অভিযোগ উঠে। গতিকে তাৰ ব্যৱস্থা বিভাগীয় মন্ত্ৰী মহোদয়ে কিবা লৈছে নেকি জানিব বিচাৰিছো। তাৰ লগতে, মাননীয় মন্ত্ৰী মহোদয়ক আৰু এটা কথা জনাব বিচাৰিছো যে আমাৰ তাত যিবিলাক solar light আছিল, সেইবোৰ প্ৰায় বিকল হৈ গৈছে। ৰাতি ১০ টা বজাৰ পিছৰ পৰা নজ্বলে। সেয়েহে মানুহে সদায় আপত্তি কৰে। গতিকে, সেই solar light সমূহ পৰিৱৰ্তন কৰা বা সেইবোৰ উঠাই দি নতুনকৈ সলনি কৰাৰ কিবা ব্যৱস্থা কৰিছে নেকি? যদি নাই কৰা, তেন্তে মন্ত্ৰী মহোদয়ে সেইখিনিৰ ব্যৱস্থা কৰি দিলে ভাল হ'ব বুলি মই ভাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংঘাল, মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, অসমত প্ৰায়বোৰ নগৰ চহৰ অঞ্চলত drainage এটা ডাঙৰ সমস্যা হৈ পৰিছে আৰু অকল সোনাৰিয়েই নহয়, প্ৰত্যেকখন নগৰতে এই সমস্যাটো আছে। এই সমস্যাক মাজত ৰাখি চৰকাৰে সিদ্ধান্ত লৈছে যে প্ৰত্যেকখন চহৰত যেনেকৈ Master plan কৰা হ'ল, একে আৰ্হিত প্ৰত্যেকখন নগৰ আৰু চহৰত আমি drainage ৰ কাৰণেও Master plan বনোৱাৰ কাম আৰম্ভ কৰিছো। Drainage ৰ কাম piecemealত কৰিব নোৱাৰি যে ক'ৰবাত এটা কৰিলে, তাৰ পিছত বাদ দিলে, তেনেকুৰা নহয়, gradiant ৰ কথা আছে। ক'ৰবাত নলা বনাই দিলেও বহুত বাৰ দেখা যায় যে পানী নিষ্কাষণ হৈ নাযায়। তাৰ কাৰণটো হ'ল যে এফালৰ পৰা পানী যেতিয়া ওলাব, শেষ পৰ্যায়ত পানী যাব লাগিব। ডাঙৰ নলা বা ক'ৰবাত এটা যি নিৰ্দিষ্ট ঠাই আছে তালৈ যাব লাগে। কিন্তু, দেখা

যায় যে সৰু সৰু patch ত নলাবোৰ বনোৱা বাবে এই ব্যৱস্থাটো সঠিক নহয় আৰু ভালদৰে নচলে। সেইকাৰণে Drainage Master plan এটা বনোৱা হৈছে আৰু আৰু মই ভাৱো সোনাৰিয়েও এই বছৰ Drainage Master plan পাব। অসমৰ বিভিন্ন অঞ্চলৰ লগতে সোনাৰিতো Master plan কৰা হ'ব। এবাৰ Master plan হোৱাৰ পিছত যাৱতীয় ব্যৱস্থা লোৱা হ'ব। বহুত নলাৰ বাবে পইচা দিয়া হৈছে, নিদিয়া নহয় । কিন্তু drainage ৰ কাৰণে যিখিনি পইচা দিয়া হয়, drainage বনাই দিয়াৰ পিছতো পানী নিষ্কাষণ নহয়। এই drainage master plan টোৱে বহুতখিনি সমস্যা সমাধান কৰিব বুলি আমি ভাৱো আৰু তাৰ ওপৰত কাম চলি আছে। Drainage master plan হোৱাৰ পিছত বিস্তৃত ভাৱে Drainage ব্যৱস্থাটো কৰি নগৰ অঞ্চলত পানীখিনিৰ নিষ্কাষণৰ ব্যৱস্থা কৰিম। তেখেতে solar light ৰ কথা ক'লে। Solar light ৰ এটা ভাল আঁচনি আছিল। তেখেতে বিকল হৈ যোৱা বুলি কৈছে। কিন্তু, বিভাগৰ তাত বা কোনো ULB য়ে এতিয়ালৈ Director, Municipal Administration ক জনোৱাই নাই যে তেখেতসকলৰ তাত বিকল হৈ আছে। তিনি বছৰৰ warranty period ত আছে, operation and maintenance ত আছে, যিটো agencyয়ে কাম কৰিছিল, ULB ৰ ওচৰত তাৰ নম্বৰ আছে। এবাৰ ফোন কৰি দিলে আহি ঠিক কৰিব। নকৰিলে, লিখিত দিয়ক আৰু লিখিত দিয়াৰ পিছতো যদি নকৰে তেন্তে contractor গৰাকীৰ ওপৰত কঠোৰতকৈ কঠোৰ ব্যৱস্থা লোৱাৰ কাৰণে আমি প্ৰস্তুত আছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। সিদ্ধাৰ্থ ভট্টাচাৰ্য।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য (পূব গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে কৈছে যে নলা -নৰ্দমাৰ সম্পৰ্কে এটা master plan বনাব। এইটো ভাল কথা। মই আপোনাৰ মাধ্যমেৰে তেখেতক এটা কথা দৃষ্টিগোচৰ কৰিব খুজিছো আৰু সেই ক্ষেত্ৰত কি পদক্ষেপ ল'ব সেয়া জানিব খুজিছো। সেইটো হৈছে- গুৱাহাটী বা অসমৰ অন্যান্য যিকোনো চহৰবোৰত যদি যায়, তেতিয়া হ'লে দেখিব যে নলাৰ সোঁমাজতে electricityৰ pole আছে। গুৱাহাটীত যদি চায়, গোটেই গুৱাহাটীৰ এটা ডাঙৰ সমস্যা হৈছে যে এই electricity ৰ pole বোৰ নলাৰ মাজতে তেখেতসকলে পুতিছে। ফলত, যেতিয়াই বৰষুণ দিলে নলাৰে জাৱৰ-জোঁথৰবোৰ বৈ আহে, সেই electricityৰ pole বিলাক barrier হয় আৰু তাৰ বাবে কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে এইটো তেখেতৰ দৃষ্টিগোচৰ হৈছে নে? যদি হৈছে, এই ক্ষেত্ৰত তেখেতসকলে শক্তি বিভাগৰ লগত কি পৰামৰ্শ কৰিছে বা কি কৰিব সেই সম্পৰ্কত আমাক জনাব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অশোক সিংঘাল, মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ লগতে বিভিন্ন চহৰ অঞ্চলত এই সমস্যাটো আছে। বিজুলী বিভাগে যেতিয়া খুটা পুতিছিল, খুটাটো নলাৰ মাজতে পুতি দিছিল বা তেখেতসকলে হয়তো পোতা নাই, খুটা পোতাৰ পিছত নলা যেতিয়া বনালে, খুটাৰ মাজেৰে বনাই দিলে। কিয়নো ঠাইখিনি কম আছিল। মই বেলেগৰ কথা ক'ব নোৱাৰিম। গুৱাহাটীত আমি এই ব্যৱস্থাটো লৈছো। APDCL ৰ লগত মিটিং হৈছে। তেখেতসকল, Councillor সকলৰ পৰাও Mission Flood Freeৰ ভিতৰত আমি তথ্য বিচাৰিছো যে ক'ত ক'ত, নলাৰ ভিতৰত শক্তি বিভাগৰ খুটা আছে তাৰ details আনি তেওঁলোকৰ লগত মিটিং কৰি সেইখিনি আঁতৰাই দিয়াৰ কাৰণে নিৰ্দেশ দিয়া হৈছে। আপোনাৰ

জৰিয়তে মই মাননীয় সদস্যক জনাব খোজো যে ২ বাৰ মিটিং হৈ গ'ল, মিটিঙৰ minutes আৰু তাৰ ওপৰত কি action হ'ল, সেইখিনি কথা মই সদস্যগৰাকীক লিখিত আকাৰে জনাই দিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

প্ৰশ্ন নং ৬৪। শ্ৰী ছিদ্দেক আহমেদ।

**শ্ৰী ছিদ্দেক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে উত্তৰ দিছে। লংগাই নদীৰ Longai-IV নামত ইয়াৰ আগতে যিটো প্ৰকল্প আছিল, সেই প্ৰকল্পটো ৩-৪ বছৰ আগৰ পৰাই প্ৰায় নষ্ট হৈছে, কোনো কাম কৰা নাই। নতুন যিবোৰ scheme লৈছে, মাননীয় মন্ত্ৰী মহোদয়ে যদি এইখিনি কৰে আৰু লগতে আমাৰ লংগাই-৪ ত আৰু বহুকেইটা scheme pending হৈ পৰি আছে, নষ্ট হৈ গৈছে। আমাৰ সমষ্টিৰ মাজেৰে যি লংগাই নদী বৈ গৈছে, তাত বহু কেইটা scheme লোৱাৰ সুবিধা আছে। তাত বিভাগৰ পৰা মানুহ পঠাইছে, কিন্তু scheme sanction হোৱাৰ বিষয়ে একো পোৱা নাই।

যদি মাননীয় মন্ত্ৰী মহোদয়ে আশ্বস্ত কৰে যে এই scheme sanction হ'ব তেন্তে আমাৰ সমষ্টিৰ বহুখিনি উন্নয়ন হ'ব।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংঘাল, মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ scheme বোৰ যে বিকল হয়, তাৰ কাৰণটো হ'ল যে বানপানীত বালিচৰ উঠে। যিটো intake point আছে, য'ৰ পৰা পানীটো উঠায়, তাত বালি উঠি যায়। দ্বিতীয়টো হ'ল- যিহেতু নদীৰ গাতে প্ৰকল্পবোৰ লাগি থাকে, বানপানী হ'লে প্ৰকল্পবোৰ নষ্ট হয় আৰু বহুত ক্ষেত্ৰত দেখা যায় যে বানপানীৰ সময়ত নদীৰ গতিপথটো সলনি হয়। য'ত head works কৰা হৈছিল বা য'ত intake point আছিল, তাৰ পৰা নদীটো আঁতৰত গুছি যায়। তেখেতৰ সমষ্টিতো দুই-এটা প্ৰকল্পত তেনেকুৱা হৈছে। তাক ভাল কৰাৰ বাবে কি ব্যৱস্থা কৰিব লাগে বিভাগে তাৰ ওপৰত মীমাংসা কৰি আছে। আমাৰ Additional Chief Engineer কিছুদিন আগত তাত গৈ আহিছে। অধ্যক্ষ মহোদয়, মই আপোনাৰ মাধ্যমেৰে সদস্যগৰাকীক আশ্বস্ত কৰিব খুজিছো যে তেখেতৰ সমষ্টিত SMI scheme ৰ ১০ টা point দি এটা SMI scheme কৰাৰ proposal লৈছো আৰু সেইটো কেন্দ্ৰীয় চৰকাৰলৈ আগবঢ়োৱা হৈছে। এই স্কীমৰ জৰিয়তে ৪০০ হেক্টৰ মাটিত তেখেতে জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিব আৰু দক্ষিণ কৰিমগঞ্জ সমষ্টিত এটা Solar powered Mobile Lift Irrigation Scheme দিয়াৰ কাৰণে আমি ইতিমধ্যে proposal হাতত লৈছো আৰু সমাপ্ত হৈ যোৱা PMKSY-Har Khet Ko Pani ৰ অধীনত প্ৰায় ৩৬০ হেক্টৰ খেতি পথাৰত পানী দিয়াৰ ব্যৱস্থা তেখেতৰ সমষ্টিত আমি কৰি দিছো আৰু কিবা যদি প্ৰস্তাৱ মাননীয় সদস্যগৰাকীৰ থাকে, তেখেতে যদি সেই প্ৰস্তাৱটো দিয়ে, আমি গুৰুত্বসহকাৰে গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ৬৫। শ্ৰী ৰূপেশ গোৱালা।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ৰূপেশ গোৱালা (ডুমডুমা)ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো, তেওঁ বৰ্তমান ডুমডুমাত ১১ টা উপ-স্বাস্থ্য কেন্দ্ৰ থকাৰ কথা কৈছে আৰু ১২ টা নতুনকৈ স্থাপন কৰাৰ বাবে পৰিকল্পনা লোৱাৰ কথা কৈছে। গতিকে মই ধন্যবাদ জনাইছো। কিন্তু, যি ১১ টা উপ-

স্বাস্থ্যকেন্দ্র আছে, আটাইকেইটা ভালদৰে চলি থকা নাই। দুই-এটা উপ স্বাস্থ্যকেন্দ্র শোচনীয় অৱস্থাত আছে। গতিকে, সেই ক্ষেত্ৰত অকণমান গুৰুত্ব দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো । আমাৰ ডুমডুমা বিধান সভা সমষ্টি এলেকাৰ টঙনাত বহু পূৰ্বে এখন mini PHC স্থাপন কৰা হৈছে। নিৰ্মান কাৰ্য সম্পূৰ্ণ হোৱা আজি দুই বছৰ হ'ল। কিন্তু এতিয়ালৈকে আৰম্ভ হোৱা নাই। যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্বাস্থ্য মন্ত্ৰী হৈ থকা অৱস্থাতে সেই PHC খনৰ কাম আৰম্ভ কৰা হৈছিল, আজিলৈকে কাৰ্য্যক্ষম কৰিব নোৱাৰাটো অলপ দুৰ্ভাগ্যজনক। গতিকে, মই মাননীয় মন্ত্ৰী মহোদয়ক ...Followed by Turn D

টাৰ্ণ ডি ডি

**শ্ৰী ৰূপেশ গোৱালা,ডুমডুমা ঃ** ক্ৰমশ----গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে তৎকালে এই hospital খন আৰম্ভ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু ডুমডুমা বিধান সভা সমষ্টিত আৰু এখন বান্দখাটী New PHC বুলি আছে, তাত এবছৰৰ কাৰণে এজন ডাক্তৰ দিছে। মই ভাৱো যে তাত এজন স্থায়ী ডাক্তৰৰ প্ৰয়োজন। প্ৰয়োজন হ'লে হয়তো তাত আৰু এজন ডাক্তৰো দিবলগা হ'ব পাৰে। এটা বিস্তীৰ্ণ অঞ্চল সাঙুৰি এই চেন্টাৰখনে সেৱা আগবঢ়াই আছে। গতিকে এই ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আন এটা বিশেষ কথা মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ ডুমডুমা সমষ্টিৰ ডুমডুমা টাউনত যিখন FRU আছে তেওঁলোকে অকল ডুমডুমা সমষ্টিৰে ৰোগী নাচায়, ডিগবৈ, শদিয়া আৰু মাৰ্ঘেৰিটা এই চাৰিওটা সমষ্টিৰে ৰোগী এই FRU খনত যায়। এই FRU খন child specialist নাই। যিহেতু তাত delivery কৰা হয়, child specialist নথকাৰ কাৰণে delivery ৰ সময়ত যথেষ্ঠ সমস্যাৰ সন্মুখীন হোৱা আমি প্ৰত্যক্ষ কৰিছো। কেতিয়াৱা আমি ব্যক্তিগতভাৱে অনুৰোধ জনাই private practitioner সকলক মাতি delivery ৰ সময়ত সহায় লোৱাৰ দৰে পৰিস্থিতি হয়। গতিকে এই ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব দিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ কথাখিনি sub-centre ৰ ওপৰত আছিল। Sub-centre ৰ পৰা Health and Wellness Centre লৈ কিমানখিনি গৈছে মই জনাত আমি ১১ টা নাম দিছো আৰু সেইখিনি Health and Wellness Centre হৈছে আৰু বাকী ১২ টা on process আছে। সেইকেইটাও আমি Health and Wellness Centre উন্নীত কৰিম। তেখেতে বেয়া অৱস্থাত থকা যিকেইটাৰ কথা কৈছে সেই কেইটা হয়তো উন্নীত হোৱা নাই। ইয়াৰ উপৰিও তেখেতৰ যদি কৰবাত ভাড়া ঘৰতো চলি আছে সেই কেইটাৰ বাবে মাটি দিলে নতুনকৈ building কৰি দিম আৰু যদি কৰবাত একেবাৰে ডেমেজ হৈ গৈছে আৰু repairing হ'বলগা অৱস্থাত নাই তেনেহ'লে সেইখিনি বিবেচনা কৰিব পৰাৰ থল আছে। মই সকলো বিধায়ককে ক'ব বিচাৰিছো যে এতিয়া আমি গোটেই sub-centre খিলাক Health and Wellness Centre লৈ উন্নীত কৰিবলৈ বিচাৰিছো আৰু তাত একো একোজনকৈ CHO

দিয়া হ'ব। এতিয়া CHO বহুখিনি দিয়া হৈছে আৰু বাকীখিনিতো দিয়া হ'ব। আমি ভাৰিছো যেতিয়া ৬ মাহ এবছৰৰ ভিতৰত interview হ'লে মানুহ পাম তেতিয়া আৰু কিছু CHO ৰ appointment হ'ব। আয়ুষ বিভাগৰ জৰিয়তেও আমি তাত অন্যান্য সা-সুবধাও উপলব্ধ কৰাবলৈ চেষ্টা কৰিছো। গতিকে আমাৰ সক্লা সন্মানীয় বিধায়ক সকলৰ নিজৰ নিজৰ এলেকাত sub-centre বিলাক Health and Wellness Centre লৈ উন্নীত হ'ব আৰু এটা এটাকৈ তাত fecility বিলাক দিবলৈ আমি চেষ্টা কৰি আছো। গতিকে ৰূপেশ গোৱালা ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি আমি সাঙুৰি লৈছো। তাৰোপৰিও তেখেতৰ এখন mini PHC ৰ কাম সম্পূৰ্ণ হৈছে আৰু আনখন -----interruption------

শ্ৰী ৰূপেশ গোৱালা,ডুমডুমা ঃ বান্দৰখাটীত যিখন new PHC আছে, সেইখনৰ অৱস্থা বৰ ভাল নহয়।

শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এইকেইটা কথা নই আজি সদনৰ পাছত মাননীয় সদস্য জনৰ লগত পাতি লম আৰু ইয়াৰ যিখিনি সমস্যা আছে সেইখিনিত তেখেতৰ পৰা details লৈ যিমানখিনি পাৰি সমাধান কৰিবলৈ চেষ্টা কৰিম।

শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিৱসাগৰতো টাউনত এখন মডেল চিকিৎসালয় সম্পূৰ্ণ হৈ আছে। মাত্ৰ ডাক্তৰ দিলেই সেইখন আৰম্ভ কৰিব পাৰি। লগতে আমগুৰিৰ জামুগুৰিতো তেনেকুৱা এখন মডেল চিকিৎসালয় আছে। আগতে সেইটো প্ৰদীপ হাজৰিকা ডাঙৰীয়াৰ সমষ্টিত পৰিছিল বৰ্তমানে সেইটো শিৱসাগৰত পৰিছে। তাৰো সেই মডেল চিকিৎসালয়খনৰো নিৰ্মাণ কাম সম্পূৰ্ণ হৈ আছে। এই দুখন সোনকালে কৰি দিয়াৰ ব্যৱস্থা কৰিব নেকি?

মাননীয় অধ্যক্ষ ঃ Very good. এনেকৈয়ে প্ৰশ্নবিলাক ধুনীয়াকৈ কৰিব লাগে।

শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, জামুগুৰি চিকিৎসালয় আৰু হালোঙা টিঙৰ কথা সন্মানীয় বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই মোক কৈছে। এতিয়া সেইখিনি মই তেখেতৰ লগত পাতি আছো আৰু গগৈ ডাঙৰীয়াই যিকেইটা কথা কৈছে, চিকিৎসালয়ৰ যদি নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ আছে তেনেহ'লে তাত দুটা কাম থাকিব, এটা হৈছে equipment বিলাক নিব লাগিব আৰু post sanction দি ডাক্তৰ দিব লাগিব। মই নামটো আজি নোট কৰি লম। এইটো process ত যাব।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং-৬৬। শ্ৰী নুৰুল হুদা।

শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত এহেজাৰ বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ ঘোষণা আৰু ২০০ উপ-স্বাস্থ্য কেন্দ্ৰ উন্নীতকৰণ কৰি বুনিয়াদী স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰি নিৰ্মাণ কৰাৰ কাৰণে চৰকাৰে ঘোষণা কৰিছিল যে ২০২১ ৰ পৰা ২০২৫- ২৬ ৰ ভিতৰত এই ৫ বছৰত ১২০০ বুনিয়াদী স্বাস্থ্য কেন্দ্ৰৰ কাম সম্পূৰ্ণ কৰিব। কিন্তু তিনিটা বছৰ পাৰ হৈ গ'ল। এতিয়ালৈকে আমাৰ পৰিলক্ষিত নহ'ল বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ সম্পৰ্কে। মোৰ সমষ্টিতো সুঁতিৰপাৰবুনিয়াদী স্বাস্থ্য কেন্দ্ৰ অনুমোদিত হৈ আছে কিন্তু নিৰ্মাণ কাম হোৱা নাই। এইটো এটা বানপীড়িত বৃহৎ অঞ্চল। গতিকে এই অঞ্চলটোত বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ কেতিয়াৰ ভিতৰত নিৰ্মাণ হ'ব মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক গৰাকীয়ে যিটো কথা কৈছে, সেইটো আমাৰ বাজেটত উল্লেখ আছিল। আমাৰ বুনিয়াদী স্বাস্থ্য কেন্দ্ৰৰ concept টো আছিল যে আমি existing স্বাস্থ্য কেন্দ্ৰৰ য'ত mini PHC বা অন্যান্য বিাকৰ পৰা দূৰত্বত আছে, ওচৰত আন চিকিৎসালয় নাই, তাত sub-centre বিলাকবুনিয়াদী স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰাৰ কথা আছিল। এই কথাটো কিছু আগবঢ়াৰ পাছত অন্য কিছু বিসংগতিৰ কাৰণে এতিয়া প্ৰক্ৰিয়াটো কিছু মন্থৰ গতিত গৈ আছে। সেইটো এটা বিষয় আছিল। লগে লগে আমি সেই concept টোতে যেতিয়া ৪.৫ হাজাৰ sub-centre ৰ ভিতৰত ৩০০০ sub-centre ৰ ক আমি Health and Wellness Centre কৰিলো। প্ৰায় ৩০০০ ৰ ওচৰা ওচৰি CHO দিলো। এতিয়া তাত আয়ুষৰ পৰাও আৰু support দিবলৈ ঠিক কৰিছে। গতিকে য'ত CHO এজনক আমি প্ৰায় নিযুক্তি দিছো, এবছৰৰ ভিতৰত আমি আশা কৰিছো যে নিযুক্তি কৰাৰ সময়ত আমি মানুহ পালে সকলো sub-centre ক আমি CHO পৰ্য্যায়লৈ আনিব পাৰিম। ANM আছে, MPW আছে আৰু বাকী আশা কৰ্মীসকলে তাত support দি আছে। গতিকে ইয়াৰ এটা concept আমি তেনেধৰণে লৈছো, তথাপিও বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ বা sub-centre ৰ বিষয়টো সেই পৰ্য্যায়লৈ আগবঢ়োৱাৰ কথাটো অলপ slow গৈ আছে, মই ভাৱিছো আমাৰ আহিবলগা দিনত য'ত য'ত প্ৰয়োজন আছে সেইখিনিলৈকে আমি আগবাঢ়িম।

টাৰ্ণ ই

**শ্ৰীনুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৰূপহী সমষ্টিত এখনো পি এইচ চি নাই। মোৰ সমষ্টিৰ তাৰাবৰিৰ যিটো মিনি পি এইচ চি এই মিনি পি এইচ চি টো পি এইচ চি লৈ উন্নতিকৰণ কৰি চিকিৎসা সেৱা দিয়াৰ ব্যৱস্থা কৰিব নেকি মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছোঁ।
**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।
**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে মই বুজি পাইছো। হয়তো সদনে বুজি পোৱা নাই। বিষয়টো এনেকুৱা যে তেখেতে কবলৈ ওলাইছে যে block PHC তেখেতৰ সমষ্টিত নাই। তেখেতৰ পুৰণা সমষ্টিত নাছিল। যিটো ৰূপহী সমষ্টি ৰূপহী সমষ্টিৰ block PHC টো হয় চামুগুৰিত আছে নহলে এইফালে ধিঙত আছে, নহলে এইফালে ব্ৰটদ্ৰবাত আছে, তাৰমানে তেওঁলোকৰ তাত block level Administration টো বেলেগ বেলেগৰ পৰা আহিছিল সেইটো বহুত দিন আগৰ কথা। কাৰণ block PHC formation যেতিয়া

হৈছি তাৰ পৰা আৰু হোৱা নাই। গতিকে নোহোৱাৰ কাৰণে আৰু block PHC টো আমি State Government য়ে ইচ্ছা কৰিলে ইয়াত এখন তাত এখন কৰি দিব নোৱাৰো। এইটো administrative প্ৰশাসনিক অফিচ। এইটো হেৰি নহয়। গতিকে Health Administration ৰ block levelৰ কাৰ্য্যালয়টো হ'বলৈ হলে ইয়াৰ গোটেই কথাখিনি কেন্দ্ৰীয় চৰকাৰৰ লগত সম্পৰ্ক আছে, আমাৰ ব্লক কেইটা ক'ত আছে, কিমান আছে তেওঁলোকে আৰু বঢ়াব হলেও তেওঁলোকৰৰ permission ল'ব লাগিব। কিন্তু সৌভাগ্যৰ কথা যে কেন্দ্ৰীয় চৰকাৰে এইটো এটা reorganize কৰা কথা ঠিক কৰিছে। আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও আমাক নিৰ্দ্দেশ দিছে এতিয়া নতুন যিটো সমষ্টি হ'ল সেই সমষ্টিৰ ভিত্তিত healthৰ exercise তো মানে যেনেকৈ আমি ইয়াত আজি দেখিলো Irrigationৰ sub-division ঠিক কৰিলে, বেলেগ sub-division PWD য়ে কৰিলে, অন্যান্যই কৰিলে, Water Resourcesয়ে কৰিলে তেনেকৈ বাকী বিলাকৰো administration point টো সমষ্টিৰ ভিতৰলৈ লৈ যাব লাগে। গতিকে আমি এই গোটেইটোৰ exercise কৰি আছো, যিহেতু বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত সম্পৰ্কীত আৰু মই ভাৰিছো নতুন যিটো সমষ্টি ৰূপহী হ'ল তাত এতিয়া block PHC পৰিছে চাগে, কিন্তু পুৰণাটোত নাই। কিন্তু হলেও block PHC এখন যাতে প্ৰতিটো সমষ্টিত থাকে minimum তাৰ যিটো exercise সেইটো এতিয়া আমাৰ কাৰ্য্যালয়ত কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীচিৰাজুদ্দিন আজমল।

**শ্ৰীচিৰাজুদ্দিন আজমল ঃ** Thank you very much Sir, excess to quality to health care is a basic human right that the Model Health Care system should strive to ensure that everyone has excess to essential Medical Care irrespective of socio-economic standing. This commitment to social equity helps reduce health disparities, for this MLA have to plan important role Hon'ble Sir, it is pertinent to mention here that there are two huge rural areas in my LAC namely area around Jungle block and area around Choudhury bazar I beg attention of the Hon'ble Minister with so far lack any facility, in this context my humble queries to the Hon'ble Minister through your office, will the Government take all the needful majors to set up two primary Health Centres one each at Jungle block and Choudhury bazar for which the people of the area will be highly grateful to you. Thank you.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো প্ৰস্তাৱ দিছে চৌধুৰী বজাৰ আৰু Jungle blockৰ এই দুটা ঠাইৰ যিটো কথা কৈছে বিষয়টো মই আগতে বৰবিশেষ অৱগত হোৱা নাছিলো, এতিয়া মই তালৈ বিষয়া পঠাই তাৰ এটা report আনি ল'ম তাৰ পিছত মই পৰৱৰ্তী পদক্ষেপ লোৱাৰ কাৰণে ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীমানৱ ডেকা। প্ৰশ্ন নং ৬৭।

**শ্ৰীযোগেন মহন, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীমানৱ ডেকা ঃ** অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন কৰিছো, প্ৰশ্নটো মোৰ সমষ্টিৰ প্ৰেক্ষাপতত

কৰিছো। যে মোৰ সমষ্টিত ৪ খন পঞ্চায়ত আছে দ্বীপ সদৃশ, যিটো ৰনোজ পেগু ডাঙৰীয়া আৰু নব কুমাৰ দলে ডাঙৰীয়াও জানে। এই প্ৰশ্নটো মই কৰিব লাগিছিল স্বাস্থ্য বিভাগত, কিন্তু প্ৰশ্নটো কৰিছো ৰাজহ বিভাগত। কাৰণ মই আজি তিনি বছৰ কাকতি মিনতি কৰিও যদি ভগবানৰ পৰাও বিচাৰিলো হেতেন both clinic বা ambulance পালোহেতেনঙ্গ কিন্তু স্বাস্থ্য বিভাগৰ পৰা পোৱা নাই, তাৰ কাৰণে মই শেষত ৰাজহ বিভাগৰ শৰাণপন্য হৈছো, যে ৰাজহ বিভাগে এখন both ambulance বা clinic দিব পাৰে নেকি? কাৰণ যেতিয়া টি ভি ত বাতৰি ওলাই সেইটো আমাৰো বেয়া লাগে। কাৰণ এই অঞ্চল বিলাকত, বাকী অঞ্চলত বানপানী দুমাহ হয়, এই অঞ্চলত বাৰ মাহে বানপানী সদৃশে হৈ থাকে আৰু বানপানীৰ সময়ত আৰু বেয়া অৱস্থা হয়। কিন্তু আজিলৈকে স্বাস্থ্য বিভাগৰ পৰা আমি সহায় পোৱা নাই সহাৰি পোৱা নাই। সেই কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে আপোনালোকে আপোনালোকৰ বিভাগৰ পৰা এখন both clinic বা ambulance permanently দিয়াৰ ব্যৱস্থা কৰিব পাৰে নেকি মই সেইটো অনুৰোধ কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক মানৱ ডেকা ডাঙৰীয়াই বানপানী সময়ৰ তেখেতৰ শিশু সকলৰ কথা বিশেষকৈ প্ৰশ্নটোত আনিছিল। District Disaster Management Authorityক তেখেতে ভালধৰণে জানে, সম্পূৰ্ণ Disaster Management Authorityয়ে এই বানপানীৰ সময়ত অকল শিশু সকলৰে নহয় সকলো শ্ৰেণীৰ ৰাইজৰ সাহাৰ্য্যৰ কাৰণে যি ব্যৱস্থা লয় আগতীয়াকৈ তেওঁলোকক দূৰ্য্যোগৰ সময়ত প্ৰশিক্ষণ দিয়াৰ পৰা early morning লৈকে সকলো জিলা প্ৰশাসনত তত্বৱধানত এইখিনি আগতিয়াকৈ দিয়াৰ ব্যৱস্থা থাকে। আপুনি নিশ্চয় জানিব যে এই শিবিৰ সমূহ যেতিয়া তাত চিনাক্ত কৰণ কৰা হয় গোটেইবোৰ এই শিবিৰ সমূহত বিশেষকৈ আমাৰ শিশু সকলে যাতে কোনো ধৰণৰ অসুবিধা নাপায় তেওঁলোকক সময় মতে গৰম খাদ্য তাত সংযত শিশু আমাৰ চি ডি পি অ' সকলো তাতে জড়িত হৈ থাকে আৰু শিশু সকল যিহেতু ৬ মাহৰ পৰা ৬ বছৰলৈকে তেওঁলোকৰ যি খিনি তত্বৱধান ল'ব লাগে সেইখিনি সম্পূৰ্ণৰূপে জিলা প্ৰশাসনে লয় আৰু মাতৃ সকলে তাত দুগ্ধপান যাতে কৰাই থাকিব পাৰে তাৰ নিৰ্দ্দেশ দিয়া হয় আৰু তেওঁলোকক পৃথক কোঠাও দিয়া হয়। মহিলা সকলক তেনেধৰণে napkin দিয়াৰ পৰা আদি কৰি সকলোখিনি আমাৰ দূৰ্যোগৰ সময়ত বানপানীৰ সময়ত সেইখিনি ব্যৱস্থা থাকে। লগতে এই transporting ৰ ক্ষেত্ৰতো সেই সময়ত আমাৰ Disaster Management Authorityয়ে নাও বা বিভিন্ন ধৰণৰ vehicle দিয়াৰ ব্যৱস্থা থাকে। কিন্তু একেবাৰে এখন আমাৰ বিভাগৰ পৰা এনেধৰণৰ ambulance দিয়াটো এতিয়ালৈকে হোৱা নাই। কিন্তু আমি ভাৱো যে সন্মানীয় বিধায়ক সকলেও MLA fund ৰ পৰা ambulance এখন দুখন দিব পাৰে। মই দুই তিনিখন নিজে দিছো চাহ বাগানতে হওক বা থানাতে dead body carrying বিধায়ক পুঁজিৰ পৰাও দিয়া হয় এনেকুৱা দূৰ্যোগৰ সময়ত আন্টাইড বা বিধায়ক পুঁজিৰ পৰা এনেকুৱা ধৰণৰ system আছে। কিন্তু আমি departmentৰ পৰা direct ক্ৰয় কৰিব পৰা এতিয়ালৈকে এনেকুৱা এটা চিচ্‌টেম হোৱা নাই। গতিকে আমাৰ স্বাস্থ্য বিভাগে এই ক্ষেত্ৰত আমাৰ যি এম্বুলেঞ্চ আছে ১০৮ বা এনেধৰণৰ স্বাস্থ্য বিভাগেও মজুত ৰাখে। তাৰমানে Disaster Management Authority বুলি কলে সকলো বিভাগৰ বিষয় তাত জড়িত হৈ পৰে।

**শ্রীঅখিল গগৈ ঃ** ছাৰ, এইটো কি হৈছে? আচলতে department fitting হৈছে নে কি ঘটনাটো কি?

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন কৰি আছে, আপুনি বহক না। অখিল গগৈ ডাঙৰীয়া আপুনি বহক।

**শ্ৰীযোগেন মহন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো District Disaster Management Authority বুলি সকলো বিষয়া তাত সংযোজিত হৈ থাকে এ পি ডি চি এল হওক, কৃষি বিভাগ হওক, স্বাস্থ্যয়ে হওক সকলো বিষয়া লগ লাগি District Disaster Management Authority কমিটী খন constitute হয়। গতিকে আমি যোৱা আগৰ বছৰত বানপানীত ৰাজ্য খনত আমি এনেধৰণৰ বহুত অৰ্থনীতি ব্যধিত হৈ গ'ল এই দুৰ্যোগৰ সময়ত। এতিয়া আমি ভাৱিছো যে প্ৰত্যেকে এই খিনিৰ ক্ষেত্ৰত সকলোৰে সহযোগ ৰাখিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব হ'ব। আৰু এটা supplement আছে, to the point কৰক।

**শ্ৰীমানৱ ডেকা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে বিধায়ক পুঁজিৰ পৰা কিনি দিয়াৰ কথা মেডিকেল কলেজত মই ইতিমধ্যে কিনি দিছো। কিন্তু আপুনি জানি ল'ব যে এখন বোট এম্পূলেঞ্চৰ দাম ২০ লাখৰ ওপৰত আৰু আমি বিয়াক পুঁজিৰ পৰা ১০ লাখৰ ওপৰত খৰচ কৰিব নোৱাৰো এটা আঁচনিত। সেই কাৰণে মই আপোনাৰ শৰণাপন্য হৈছো বুলি কৈছো। কাৰণ মই ভগৱানৰ ও চৰত কাকতি-মিনতি কৰিলেও এই ৩ বছৰত পালো হেতেনঙ্গ স্বাস্থ্য বিভাগৰ পৰা পোৱা নাই। গতিকে সেই কাৰণে আপুনি অন্তত দয়া কৰি আপুনি এই বুলি ভাৱি লওক যে তাত Disaster ১২ মাহে হয়। তেতিয়াতো দিব পাৰিব আপুনি।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মাননীয় মন্ত্ৰী।

টাৰ্ণ এফ

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মোহন, ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় আমি কেইটামান হাই প্লেটফৰ্ম নিৰ্মাণ কৰি আছো এইবাৰো আমি তেনেকুৱা লৈছো। এনেকুৱা ধৰণে বানপানীৰ সময়ত ব্যৱহাৰ কৰিব পৰাকৈ তাতে কেম্পো হ'ব তাৰ ওপৰত হেলিকপ্তাৰো পৰিব পাৰে, মেটেৰিয়েল ড্ৰপ কৰিব পাৰে। তেনেকুৱা ধৰণে আমি চিন্তা কৰি আছো। তাতে খৰালি কালত আপোনালোকে ভাওঁনা, বিহু সকলো পাতিব পাৰিব।তেনেকুৱা আমি চিন্তা কৰিল আছো, আৰু মই বিভাগত কথাটো উলিয়াম, তাতে যদি এম্বুলেঞ্চৰো ব্যৱস্থা কৰিব পৰাকৈ যদি আইনে কয়, আমি বিভাগে চিন্তা কৰি আছো। আমি যদি তেনেকুৱা ধৰণে ২০ কোটি টকাৰ এটা প্ৰজেক্ট বনাওঁ বানপানী অধ্যুসিত অঞ্চলত তেতিয়া তাত সকলো ধৰণৰ কাম হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, হ'ব এতিয়া সুশান্ত বৰগোঁহাই।

**শ্ৰীসুশান্ত বৰগোঁহাই, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, climate change ৰ কাৰণে বা যিকোনো কাৰণতে হওঁক আজি কালি সাধাৰাণতে প্ৰাকৃতিক দুয্যোগ কিছুমান হঠাতে অহা দেখা যায় । আগতে বানপানী বা ধুমুহাৰ কিছুমান সময় আছিল। ফাগুনত ধুমুহা আহে, ঠিক তেনেকুৱা ধৰণৰ আছিল কিন্তু আজি কালি দেখা যায় হঠাৎতে কেতিয়াবা কোনোবা এখন গাওঁৰ মাজ মজিয়াত ১০ টা ঘৰ ভাঙি দিয়ে বা হঠাতে বৰষুণ বা শিলাবৃষ্টি হয় আৰু টিন বিলাক ফুটা কৰি দিয়ে। হঠাৎ এনেকুৱা ধৰণে হয় গোটেই অঞ্চলটোত ১০ ঘৰত হয়, আকৌ বহুত দূৰত গৈ কেইঘৰমানত হয়।

এই গোটেই ব্যৱস্থাটোৰ কাৰণে আমি যেতিয়া District Disaster Management Authority ক আবেদন কৰো বা ডি চি ক কওঁ কথাবিলাক, গোটেই অনুদান বিলাক আহিবলৈ কিন্তু ২ বছৰ মান সময় লাগে আৰু যিখিনি মানুহ এই হঠাতে হোৱা প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্থ হোৱা মানুহখিনি একেবাৰে দুখীয়া মানুহ। এই দুখীয়া মানুহখিনিৰ কাৰণে পইচাটো আনিবৰ কাৰণে ২ টা বছৰ ৰখিব লাগে। কেতিয়াবা এনেকুৱা ধৰণে কয় যে ইউ চি লাগে, ডি চি ক আমি যেতিয়া কওঁ ইউ চি দিলে নে নাই তেতিয়া ডিচি য়ে কয় ইউ চি দি থোৱা আছে, তাৰ পিছতো ৬,৭ মাহ লাগে। এই মানুহখিনি ৬,৭ মাহৰ কাৰণে গৃহহীন হৈ থাকে। গতিকে এটা ভয়ঙ্কৰ পৰিবেশ হৈ থাকে। এই পৰিবেশটোৰ পৰা কেনেধৰণে আমি পৰিত্ৰাণ পাবৰ

কাৰণে কিবা ব্যৱস্থা বা কেনেধৰণে ব্যৱস্থা ল'ব পাৰো তাৰ বাবে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া,

**শ্ৰী যোগেন মোহন, ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় শিলাবৃষ্টিৰ কথাটো মাননীয় বিধায়ক সুশান্ত বৰগোঁহাই কৈছে, আপোনালোকে জানিবলৈ পাই ভাল পাব আমি শিৱসাগৰ জিলাত প্ৰায় ১০ হাজাৰৰ ওচৰাওচৰি পৰিয়ালক, যেতিয়া শিলাবৃষ্টি হৈছিল তাৰ খুব কম দিনৰ ভিতৰতে আমি তেওঁলোকক ceremonial distribution কৰিছো। আমি চাৰ্কোল অফিচাৰ সকলৰ পৰা লাটমণ্ডল বা গাওঁ প্ৰধান সকলে ইমান সোনকালে চাৰ্ভে কৰিছে, প্ৰায় ১০ হাজাৰৰ ওচৰাওচৰি পৰিয়ালক দিছো আৰু এতিয়াওঁ আকৌ থাকি যোৱাখিনিৰ প্ৰপোজেল আহি আছে। নাজিৰা সমষ্টিটো বিতৰণ কৰিছো। এনেধৰণে আমি Disaster Management ৰ ফালৰ পৰা যিটো দিব লাগে আংশিকভাবে ক্ষতিগ্ৰস্থৰ ক্ষেত্ৰত, ঘৰৰ কাপোৰকাণি বা বাচনবৰ্তনৰ ক্ষেত্ৰতো এটা পইচা দিব পাৰো ৪ হাজাৰ টকা। আগতে এইবিলাক কম আছিল এতিয়া অলপ বৃদ্ধি পাইছে। আগতে যেনেদৰে সম্পুৰ্ণ ক্ষতিগ্ৰস্থৰ ক্ষেত্ৰত ৯৫ হাজাৰ আছিল এইবাৰ ১ লাখ ২০ হাজাৰ হৈছে। আগতে আংশিকভাবে ক্ষতিগ্ৰস্থৰ ক্ষেত্ৰত ৪ হাজাৰ আছিল, এতিয়া ৬ হাজাৰ হৈছে। এনেধৰণে প্ৰায় ১২ হাজাৰ টকাকৈ প্ৰত্যেক পৰিয়ালে পাইছে। অন্তত ঘৰটোত কেইবান্ধমান টিন লগাই থাকিব পৰা ব্যৱস্থা কৰিব পৰা হৈছে। এই ক্ষতিপুৰণবোৰ একেলগে ৭ হাজাৰ পৰিয়ালে পাইছে অন লাইন যোগেদি। হেডকোৱাটাৰৰ পৰা এইটো ডি বি টি চিচষ্টেমত, direct bank transfer কৰি দিছো। এনেকুৱা ধৰণে দুৰ্যোগৰ সময়ত মানুহক সহায় কৰিবৰ কাৰণে, ইয়াতে যাতে কোনো ধৰণৰ আপত্তি নাহে আমাৰ অফিচাৰে গৈ ফিল্ডত লগত টিম লৈ গাৱত গৈ জনসাধাৰন থকা অঞ্চলত মিটিং কৰি যাতে কোনো পৰিয়াল বাদ পৰি নাযায় উপযুক্তখিনিয়ে যাতে পাই তাৰে নিশ্চিত ব্যৱস্থা কৰা হৈছে। প্ৰশাসনটোক আমি এনেধৰণে সক্ৰিয় কৰি থৈছো Disaster Management Authority য়ে যে ক'ৰবাত দুৰ্য্যোগ হোৱাৰ লগে লগে আমালৈ ৰিৰ্পটিং আহে, ৰিৰ্পটিং অহাৰ লগে লগে এই সকলোখিনি চাৰ্ভে কৰি আৰু আমি হেডকোৱাটোৰে তেওঁলোকৰ প্ৰপোজেল পোৱাৰ লগে লগে সেইখিনি চেংশ্যন কৰিবলৈ চেষ্টা কৰো। যিহেতু আমাৰ Disaster Management ৰ ফাণ্ডটো আমাৰ হাতত বৰ্তমান আছে। এনেকুৱা ধৰণে সহায় কৰা হৈছে। আপোনালোকে চাব যে এই দুৰ্য্যোগৰ সময়ত বিভিন্ন সংগঠনবিলাকেও বহু সহায় কৰে। সকলো ওলাই আহে। গতিকে মই ভাবো যে এনেকুৱা ধৰণৰ সকলো সংগঠনে দুৰ্য্যোগৰ সময়ত ওলাই আহিব লাগে এইটো এটা মানবীয় দায়িত্ব সকলো চৰকাৰলৈ এৰি নিদি মানবীয় দায়িত্ব হিচাপে

পালন কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, হ'ব। এতিয়া প্ৰশ্ন নং ৬৮ শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মোহন, ৰাজহ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, বিধায়ক (গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়,উত্তৰবিলাক অসম্পুৰ্ণ গতিকে সেয়েহে সন্তুষ্ট হ'ব পৰা নাই। যিহেতু সময় নাই মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো ১ (A) এইটো কিমান দিনৰ ভিতৰত এইটো ভেৰিফিকেশ্যন, কাৰণ আজি ১৯ বছৰ হৈছে, ২০০৬ চনত হোৱা প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ ইতিমধ্যে ১৯ বছৰ লৈছে এতিয়াও কৈছে যে ভেৰিবিকেশ্যন হৈ আছে। কিমান দিনৰ ভিতৰত এই ভেৰিবিকেশ্যন সম্পুৰ্ণ হৈ এই প্ৰস্তাৱটো কাৰ্য্যকৰী হ'ব? District Land Advisory Board resolution . Next ত (B) তিনিটা চাৰ্কোলত land less মানুহৰ information not available কিমানদিনৰ ভিতৰত available হ'ব সেই কথাটো জনাব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী,

**শ্ৰী যোগেন মোহন, ৰাজহ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০৬ চনৰ ৩ নবেম্বৰ তাৰিখে যিখন এচ ডি এল এ চি অনুষ্ঠিত হৈছিল তাতে আপোনালোকৰ যি প্ৰপোজেল লোৱা আছিল সেই প্ৰপোজেল বিলাক এপ্ৰ'ভ লিখিছে, মই কৈছো এপ্ৰ'ভ লিখিব নালাগে ।প্ৰপোজেল বিলাক ৰিক'মেণ্ড হ'ব লাগে। এচ ডি এল এ চি ত সদায় প্ৰপোজেল ৰিক'মেণ্ড হয়, আৰু চৰকাৰলৈ প্ৰপোজেলৰ কাৰণে আহে। সেই ২০০৬ চনতে লোৱা প্ৰপো'জেল লেণ্ডলেচ মানুহৰবোৰৰ।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, বিধায়ক (গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়,এইখিনি আধা বিঘা, এক বিঘা মাটি এই ৰেভিনিউ বিভাগে ডি চি বিলাকক অথৰিটি দি আছেটো allot the land. কৰিব নালাগে।

**শ্ৰী যোগেন মোহন, ৰাজহ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০২১ চনৰ পৰা আমি এতিয়াহে কৰিছো ডি চি ৰুৰেলৰ মাটিখিনি তেওঁলোকে এপ্ৰ'ভ কৰিব পাৰিব। কিন্তু আৰবানৰখিনি চৰকাৰআহিব লাগিব। আপোনালোকে যিটো মাটি তাত এপ্ৰ'ভ কৰিলে বা ৰিক'মেণ্ড কৰিলে মাটিটো ex-serviceman ৰ কাৰণে ৰিজাৰ্ভ আছিল। কিন্তু ex-serviceman ৰ ৰিজাৰ্ভৰ পৰা যদি এন অ চি লৈ তেওঁলোকে দিছে। তেতিয়া ex-serviceman তাৰে ৩ শ বিঘা আপোনালোকে এচ ডি এল এ চি ত পাছ হৈছিল। আপোনালোকৰ ৩ শ বিঘাত ৬০৭ টা পৰিয়ালৰ কাৰণে । সেই out of 954 বিঘা মাটি এই এন অ চি এটা ex-serviceman ক দি থোৱাৰ পিছত তাতে উপৰা উপৰিকৈ সেই মাটিতেই এচ ডি এল এ চি য়ে কেনেধৰণে আকৌ ৰিক'মৈণ্ড কৰিলে সেই কথাখিনি চৰকাৰৰ পৰ্য্যয়িলৈ অহাই নাই।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, বিধায়ক (গোৱালপাৰা)** ঃ আপোনালোকে এচ ডি এল এ চি য়ে সম্পুৰ্ণ ক্ষমতা দিয়াৰ পিছত এলট য়ো কৰিব **পাৰে** কেঞ্চেলো কৰিব **পাৰে**। এই ক্ষমতাখিনি আপোনালোকৰ চৰকাৰে দিছে। গতিকে যদি এচ ডি এল এ চি ক ক্ষমতা দিছে —

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে এতিয়া প্ৰশ্নকালীন ঘন্টা সমাপ্ত হৈছে। --- জি টাৰ্ণলৈ----

টাৰ্ণ জি

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন কালীন ঘণ্টাৰ সময় শেষ হ'ল। এতিয়া শূন্যকালীন ঘণ্টা আৰম্ভ হ'ব। মাননীয় বিধায়ক শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক, চেঙা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজিৰ এই শূন্যকালীন ঘণ্টাত "মাননি বৃদ্ধি আৰু বকেয়া আদায়ৰ দাবীত ৰন্ধন কৰ্মীৰ উত্তাল প্ৰতিবাদ" শীৰ্ষক বাতৰিৰ ওপৰত এই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সকলো প্ৰাইমাৰী আৰু উচ্চ প্ৰাইমাৰী বিদ্যালয় সমূহত ৰন্ধন কৰ্মী সকল কৰ্মৰত হৈ আছে। আজি যদি দেখা যায় দেশত মধ্যাহ্ন ভোজনৰ ইতিহাসে প্ৰায় ১০০ বছৰত ভৰি দিলে। ১৯২৫ চনৰ পৰা আমাৰ ৰাষ্ট্ৰত প্ৰথম বাৰৰ বাবে বম্বেত আৰম্ভ হৈছিল আৰু ক্ৰমশঃ লাহে লাহে গোটেই দেশ ব্যাপি আৰু ২০১৩ চনত আইনত পৰিণত হৈ গোটেই বিদ্যালয় সমূহত মধ্যাহ্ন ভোজনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে যে ৰান্ধনী সকলে যি মাননি পায় সেই মাননি যথেষ্ট কম আৰু যাৰ কাৰণে সময়ে সময়ে ৰন্ধন কৰ্মী সকল ৰাজপথলৈ নামি আহিছে, আন্দোলন কৰিছে, আলোচনাত আহিছে আৰু ধৰ্ণাত বহিছে। কিন্তু তেওঁলোকৰ এই সমস্যাৰ কোনো সমাধান সূত্ৰ এতিয়ালৈকে অহা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, অতি দুখ আৰু পৰিতাপৰ সহিতে আজিৰ সদনত এই কথা দৃষ্টিগোচৰ কৰিব বিচাৰো যে তেওঁলোক যি ১০০০ টকাৰ ৯০ শতাংশ চেণ্ট্ৰেল চেয়াৰৰ পৰা পায় আৰু বাকী ১০ শতাংশ ষ্টেট চেয়াৰৰ পৰা পায়। ইয়াৰ উপৰিও চৰকাৰৰ ফালৰ পৰা আৰু ৫০০ টকা এটা দিয়ে। শেহতীয়া ভাৱে কোৱা হৈছিল যে ১২৫০ টকা অৰুণোদয়ৰ নামত দিয়া হ'ব। কিন্তু প্ৰতিজন ৰান্ধনীয়ে ১২৫০ টকাটো অৰুণোদয়ৰ নামত পালে নে নাই সেই কথাটোৰ এটা স্পষ্টীকৰণ আজি আমি এই সদনত বিচাৰিম। মাননীয় অধ্যক্ষ মহোদয়, ৰন্ধন কৰ্মী সকলৰ এই সমস্যা প্ৰথমৰ পৰাই চলি আছে আৰু আজিও চলি আছে। তেওঁলোকে কেৱল ৰন্ধাতেই আত্মনিয়োগ কৰিছে তেনেকুৱা নহয়। যিবিলাক বিদ্যালয়ত চকীদাৰ নাই সেই সমূহ বিদ্যালয়ত ৰন্ধন কৰ্মী সকলে চকীদাৰৰ কামো কৰি আছে। গতিকে ইমান সামান্য মজুৰীত তেওঁলোকে কাম কৰাতো অতি দুভাৰ্গ্যৰ বিষয়। ২০২২ চনৰ ২৫ মাৰ্চত মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ সৈতে ৰন্ধন কৰ্মী সকলৰ যথেষ্ট আলোচনা হৈছিল আৰু তেওঁ আশ্বস্ত কৰিছিল যে তেওঁলোকৰ সমস্যা সমূহ আঁতৰ হ'ব। কিন্তু আজিলৈকে তেওঁলোকৰ এই সমস্যাৰ সমাধান হোৱা নাই যাৰ কাৰণে তেওঁলোকে ৰাজপথলৈ ওলাই আহিছে। মাননীয় অধ্যক্ষ মহোদয়, দেখা যায় যে অন্যান্য ৰাজ্য সমূহত ৰন্ধন কৰ্মী সকলক অধিক মাননি দিয়া পৰিলক্ষিত হৈছে। অন্ধ্ৰপ্ৰদেশ, বিহাৰ, হাৰিয়াণা, ঝাৰখণ্ড, হিমাচল প্ৰদেশ আদি ৰাজ্যত অসমতকৈ যথেষ্ট বেছি মাননি দিছে। অসম যিহেতু উন্নয়ণশীল ৰাজ্য আৰু এই ৰাজ্যত ধন-অৰ্থৰ অভাৱ নাই। যথেষ্ট ফাণ্ড আমাৰ ওচৰত আছে, সেয়েহে ৰন্ধন কৰ্মী সকলক এইধৰণে বঞ্চিত কৰাটো সঠিক নহয়।

হু( Hon'ble Deputy Speaker in the Chair)

মাননীয় অধ্যক্ষ মহোদয়, শেহতীয়াকৈ এই ক্ষেত্ৰত আন কিছু সমস্যা দেখা গৈছে। যেনে বিদ্যালয় সমূহত যি ৰান্ধনীশালা বা যি অন্যান্য সা-সুবিধা সমূহ থাকে, সেই ক্ষেত্ৰত কিছু অসুবিধা দেখা গৈছে। Annual Social Report ২০২২-২৩ ত Mid day meal বা PM poshan সম্পৰ্কে গোটেই কথাখিনি পৰিস্ফুট হৈছে আৰু তাত ১০০৫ খন স্কুলৰ চেম্পল লৈ যি ষ্টাডী কৰা হৈছিল বা social report উলিওৱা হৈছিল দেখা গৈছিল যে ৩৩ খন জিলাৰ ৮৭৩ খন

ৰান্ধনীশালৰে সমস্যা তেওঁলোকে পাইছে। ঠিক একেদৰে record related issue ৯১২ খন স্কুলত পাইছে। অৰ্থাৎ প্ৰায় ৭০ শতাংশ স্কুলতেই এইধৰণৰ সমস্যা দেখা দিছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, ইমান দীঘলীয়া সময়ৰ পৰা চলা এটা আঁচনি আৰু এখন আইনৰ গণ্ডীৰ মাজত এই আঁচনিখন চলে। তাৰ পিছতো এনেধৰণৰ সমস্যা মুঠেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। শিশুক গৰম খাদ্য আৰু পৰিপুষ্টি থকা খাদ্য দিবলৈ যিখিনি আন্তঃগাঁথনিৰ প্ৰয়োজন চৰকাৰে সেইখিনি আন্তঃগাঁথনি ৰ ব্যৱস্থা কৰা উচিত। বহুদিন আগতেই বনাই থোৱা ৰান্ধনীশাল সমূহতে এতিয়াও ৰন্ধা-বঢ়া হৈ আছে। টিঙৰ চালি ফুটা, ওপৰৰ পৰা পানী পৰিব বা অন্য কিবা কীট-পতংগ পৰি খাদ্যত বিষক্ৰিয়া হ'ব বা অন্য ধৰণৰ বেমাৰ-আজাৰ হ'ব সেই কথাটো মুঠেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই সদনৰ জৰিয়তে আমি চৰকাৰৰ পৰা এটা স্পষ্টীকৰণ বিচাৰো যে ৰান্ধনীশালাই হওঁক আৰু Record related যিবিলাক issue এই স্কুল সমূহত দেখা যায় এই সমস্যা সমূহ কিদৰে সমাধান কৰিব পাৰি। দেখা গৈছে যে বহুত বিদ্যালয়ত এতিয়াও খৰিৰ চৌকাত ৰান্ধিব লগীয়া হৈছে। আশা কৰো যে চৰকাৰে এই প্ৰতিখন স্কুলতেই গেছ চিলিণ্ডাৰ আৰু গেছৰ ডাঙৰ চৌকাৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব। মাননীয় উপাধ্যক্ষ মহোদয়, খাদ্য সুৰক্ষা ভাট্টা বুলি যি আইন বা National Food Security Act ৰ ২ নং ধাৰাৰ ১০ অনুচ্ছেদত আছে আৰু যদি কোনো বিদ্যালয়ে এদিন বা দুদিন ৰান্ধি খুৱাব নোৱাৰে সেই খাদ্যখিনি তেওঁলোকে পিছৰ মাহৰ ১৫ তাৰিখৰ ভিতৰত ছাত্ৰ-ছাত্ৰী সকলক দিব লাগে। কিন্তু দেখা যায় যে বহু বিদ্যালয়ে সেইটো নকৰি সেই চাউলবোৰ পচাই পেলাই পুখুৰীত পেলাই দিয়ে নাইবা বিক্ৰী কৰি দিয়ে। এই আইনত বা দফাত কোৱা হৈছে যে তেওঁলোকে পাবলগীয়া চাউলখিনিৰ লগতে ৰন্ধনত যিমান টকা খৰছ হয়, সেই গোটেইখিনিৰ সৈতে তেওঁলোকক দিব লাগে। কিন্তু সেইটো দিয়া নহয়। গতিকে মই ক'ব বিচাৰিছো যে ৰন্ধন কৰ্মী আৰু মধ্যাহ্ন ভোজন অৰ্থাৎ PM Poshan য'ত মাননীয় প্ৰধানমন্ত্ৰীৰ নাম সাঙোৰ খাই আছে আমি অন্ততঃ বিচাৰিছো যে ৰন্ধন কৰ্মী সকলক অতি সোনকালে অতি কমেও ১০০০০ টকাৰ মাননি আৰু ৰান্ধনী ঘৰবোৰ ভালদৰে নিৰ্মাণ আৰু পৰিস্কাৰ-পৰিচ্ছনতা লগতে গুণগত খাদ্যৰ ব্যৱস্থা কৰে তাৰ বাবে মই অনুৰোধ কৰিলো। Midday Meal ৰ যিবোৰ দূৰ্নীতি হয় তাৰ প্ৰতিৰোধৰ বাবে যাতে ব্যৱস্থা গ্ৰহণ কৰে তাৰো মোৰ অনুৰোধ থাকিল। এইখিনকে কৈ মই মোৰ বক্তব্য সামৰনি মাৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষামন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, PM Poshan আঁচনিৰ অধীনত আমাৰ বিদ্যালয় সমূহত অষ্টম শ্ৰেণীলৈ থকা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে Midday Meal ৰ ব্যৱস্থা আছে আৰু এই Midday Meal ৰান্ধি খুওৱাৰ বাবে cook cum helper আছে। আশা কৰ্মীৰ বাবে যেনেদৰে প্ৰযোজ্য Eco cum Helper এইটো চাকৰি নহয়। এইটো এটা volunteer service আৰু বৰ্তমান যিবোৰ বিদ্যালয়ত ২৫ জন ছাত্ৰ-ছাত্ৰী আছে তাত এগৰাকী আৰু ২৬ জন ৰ পৰা ১০০ গৰাকী ছাত্ৰ-ছাত্ৰী থাকিলে তাত দুগৰাকী আৰু ইয়াৰ ওপৰত প্ৰতি ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ কাৰণে এগৰকীকৈ cook cum helper নিয়োজিত কৰিব পৰাকৈ ব্যৱস্থা আছে। চলিত সময়ত সৰ্ব্বমুঠ ১ লাখ ৬ হাজাৰ ৭০১ গৰকী cook cum helper বৰ্তমান কৰ্মত নিয়োজিত হৈ আছে। মাননীয় বিধায়ক গৰাকীয়ে উল্লেখ কৰিছে যে ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১০০০ টকাকৈ দিয়ে আৰু সেই ১০০০ টকাৰ ১০ শতাংশ চেয়াৰ ৰাজ্য চৰকাৰে দিয়ে। গতিকে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ৯০০ টকা পাওঁ। ইয়াত অতিৰিক্ত ভাৱে সংযোজিত

কৰি অসম চৰকাৰে নিজা বাজেটৰ পৰা আৰু ৫০০ টকা মিলাই সৰ্ব্বমুঠ ১৫০০ টকা তেওঁলোকক ১০ মাহৰ কাৰণে অসম চৰকাৰে দিয়ে। যিটো ১০০০ টকা কেন্দ্ৰীয় চৰকাৰৰ চেয়াৰ আছে, সেই ১০০০ টকাটো এই ডিচেম্বৰ মাহলৈকে দি সম্পূৰ্ণ কৰিছে আৰু জানুৱাৰী মাহৰ পইচাটো অহা ৫ দিনৰ ভিতৰত তেওঁলোকে লাভ কৰিব। ৰাজ্য চৰকাৰৰ পৰা যি ৫০০ টকা দিয়া হয়, সেই টকাতো চেপ্তেম্বৰ মাহলৈকে সকলোকে আদায় দিয়া হৈছে। কিন্তু ২০ খন জিলাৰ ক্ষেত্ৰত অক্টোবৰ মাহলৈকে সেই টকাখিনি cook cum helper ক দিয়া হৈছে। বাকী টকাখিনি তেওঁলোকে চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে লাভ কৰিব। আমি যিহেতু ৫০০ টকা উপৰিঞ্চি দিওঁ সেয়েহে আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ দিছো যে cook cum helper সকলৰ কাৰণে দিয়া মাননিটো ১০০০ টকাৰ পৰা ১৫০০ টকালৈ বৃদ্ধি কৰিব লাগে। মাননীয় বিধায়ক গৰাকীয়ে যি আন্তঃগাঁথনি উন্নয়ণৰ কথা কৈছে সেইটো আমি পৰ্য্যায়ক্ৰমে ৰান্ধনীশাল সমূহ নিৰ্মাণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। এই ফেব্ৰুৱাৰী মাহৰ ভিতৰতেই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিকাশৰ কাৰণে আৰু এটা পযেক আৰম্ভ কৰিব। য'ত আমি প্ৰায় ৪০০ খন বিদ্যালয় পুনৰ নিৰ্মাণ কৰিম। কিছু সংখ্যক বিদ্যালয়ত উৎকৃষ্ট ৰান্ধনীশালৰ ব্যৱস্থা কৰা হৈছে আৰু বহু সংখ্যক বিদ্যালয়ত এতিয়াও খৰিৰেই ভাত ৰন্ধা হয়। পৰ্য্যায়ক্ৰমে সকলো বিদ্যালয়ত যাতে গেছৰ যোগান ধৰিব পৰা যায় তাৰো ব্যৱস্থা আমি কৰিছো। Midday Meal ত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা PM Poshan আঁচনিৰ অধীনত যি পুঁজি লাভ কৰো তাৰ লগত সংযোজিত কৰি চাহ বাগিচা আৰু চৰ অঞ্চলত আমি অতিৰিক্ত পুষ্টিৰ কাৰণে কণীৰ যোগান ধৰাৰো ব্যৱস্থা গ্ৰহণ কৰিছো। মই বিধায়ক গৰকীক পুনৰ আশ্বাস দিব বিচাৰো যে ৰান্ধনীশাল বোৰৰ উন্নীতকৰণ নিশ্চিতভাৱে হ'ব আৰু ইয়াত গেছৰ কাৰণেও .....................................

টাৰ্ণ এইছ

**ড০ ৰোণ'জ পেগু, শিক্ষামন্ত্ৰী ঃ** ... ক্ৰমশ.. চাহ বাগিছা অঞ্চল আৰু চৰ অঞ্চলত অতিৰিক্ত পুষ্টিৰ কাৰণে অতিৰিক্ত কণি যোগান ধৰাৰ কাৰণে ব্যৱস্থা কৰিছো। মই সন্মানীয় বিধায়ক গৰাকীক পুনৰ আশ্বাস দিব বিচাৰো যে ৰান্ধনীশাল বিলাকৰ উন্নিতকৰণ নিশ্চিত ভাৱে হ'ব আৰু ইয়াত গেছৰ দ্বাৰা ৰন্ধৰ ব্যৱস্থা খুব সোনকালে হ'ব আৰু তেতিয়ালৈকে তেওঁলোকৰ মাননি বৃদ্ধিৰ যি প্ৰস্তাৱ আছে, এইটো আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদনৰ কাৰণে অপেক্ষা কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। শূণ্য কালীন ঘন্টা, মাননীয় সদস্য শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, তিতাবৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইংৰাজী ০৬-০২-২০২৪ তাৰিখৰ "দৈনিক জনমভূমি" বাতৰি কাকতত প্ৰকাশিত- "বিদেশৰ পৰা কাগজৰ আমদানি ৪৩ শতাংশ বৃদ্ধি।"

এই কথাটো পেপাৰত পঢ়াৰ লগে লগে মোৰ মণলৈ আহিলে আৰু মই নিজেও যিহেতু উদ্যোগৰ লগত জড়িত এজন ব্যক্তি যে আমি ৪৩ শতাংশ পেপাৰ বিদেশৰ পৰা আমদানি কৰিব লগীয়া হৈছে। আমাৰ ইয়াতে থকা ৩ টা পেপাৰ মিল পৰ্য্যায়ক্ৰমে বন্ধ হৈ গ'ল। কি কাৰণে বন্ধ হৈ গ'ল, এই বিষয়ে বিস্তাৰিত আলোচনা হোৱাতো অসমৰ ৰাইজে জানিব বিচাৰিছিল কিয় জাগীৰোডৰ পেপাৰ মিলটো বন্ধ হৈ গ'ল। মই যিটো ব্যক্তিগত ভাৱে জানো যে আমাৰ tiger brand ৰ যিটো পেপাৰ, সেই পেপাৰটো যথেষ্ট সমাদৰ লাভ কৰিছিল আৰু পেপাৰ quality খুব ভাল আছিল আৰু তুলনামূলক ভাৱে আমাৰ এই পেপাৰ দাম ভাৰতবৰ্ষৰ অন্যান্য কাজগ ক'লতকৈ

কম। কিন্তু ৰহস্যজনক কাৰণত খুব সুন্দৰকৈ চলি থকা এটা উদ্যোগ বন্ধ হৈ গ'ল। এই উদ্যোগটো বন্ধ হোৱাৰ লগে লগে তাত কৰ্মৰত থকা বহুত কৰ্মচাৰীয়ে আত্মহত্যা কৰিব লগা হ'ল, বহুতৰ চাকৰি থকা অৱস্থাতে তেওঁলোকৰ নিজৰ যি সপোন আছিল, সেই সপোন একেবাৰে ধুলিস্যাৎ হৈ গ'ল, লৰা-ছোৱালী বিলাকৰ অসুবিধা হ'ল। যেনেকৈ যি নহওঁক পৰৱৰ্তীসময়ত চৰকাৰে মানুহখিনিক পইচা পাতি আদি দিয়াৰ ব্যৱস্থা কৰিলে, কিছুমানক চাকৰি দিয়াৰ ব্যৱস্থা কৰিলে। শেষত আমি দেখিলো যে AIDC য়ে গোটেই মাটিখিনি HPC ৰ পৰা কিনি আমাৰ চৰকাৰৰ অধীনলৈ আনিলে আৰু এটা অংশ TATA ক তেওঁলোকৰ এটা Industry খুলিব দিছে।

এতিয়া মূলত মোৰ কথাটো হৈছে, আমাৰ এটা সম্ভৱনাপূৰ্ণ উদ্যোগ এটা বন্ধ হৈ গ'ল। আজি আমি নিজৰ ৰাজহ খৰছ কৰি বিদেশৰ পৰা কাগজ আনিব লগীয়া হৈছে। এইটো এটা অতি পৰিতাপৰ বিষয় বুলি মই ভাৱো। আজি কালি বিজ্ঞানৰ যুগত বিভিন্ন source ৰ পৰা পেপাৰ বনাব পাৰি, কিন্তু তাৰ লগে লগে পেপাৰ ব্যৱহাৰ দিনক দিনে কমিছে যদিও, পেপাৰৰ চাহিদা সদায় আছে। কাৰণ বিভিন্ন ধৰণৰ কামত পেপাৰ প্ৰয়োজন হয়। মই মোৰ বক্তব্যৰ লগত এইটো কথা ৰাখিব খুজিছো যে আমাৰ ভৱিষ্যতে পেপাৰ related পেপাৰ উৎপাদনৰ কাৰণে উত্তৰ পূৱত যথেষ্ট সম্ভৱনা আছে। গতিকে নতুন পদ্ধতিৰে লাভজনক পেপাৰ উদ্যোগ এটা কৰিব পাৰো, সৰু সৰু পেপাৰ মিল যদি লাভজনক ভাৱে কৰিব পৰা যায়, তেতিয়া হলে উদ্যোগীক সকলক চৰকাৰে সুবিধা দি উত্তৰ পূৱলৈ পেপাৰ মিল কিছুমান আনিব পৰা যায়, তেতিয়া আমাৰ বহুত নতুনকৈ উঠি অহা প্ৰজন্মই নিজৰ স্বাৱলম্বি হোৱাৰ দিশত তেওঁলোক আগবাঢ়ি যাব পাৰিব আৰু আমাৰ যিটো উদ্যোগ বন্ধ হৈ গ'ল, সেই দৃষ্টিটো একেবাৰে নাইকিয়া নকৰি, পেপাৰ উদ্যোগ কৰিব লাগে। মই এইখিনি কথা কৈ মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বৰা, উদ্যোগ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য ভাস্কৰ জ্যোতি বৰুৱা ডাঙৰীয়াই "দৈনিক জনমভূমি" বাতৰি কাকতত প্ৰকাশিত বাতৰি অনুসৰি তেখেতে এটা প্ৰশ্ন উত্থাপন কৰিছে যে কাছাৰ আৰু জাগীৰোডত থকা পেপাৰ মিল কেইটা বন্ধ হৈ যোৱাৰ কাৰণে যথেষ্ট কাগজ আমদানি কৰিব লগীয়া হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই দুটা কাগজ কল ভাৰত চৰকাৰৰ হিন্দুস্তান পেপাৰ কৰ্পোৰেচন লিমিটেডৰ অধীনত চলি আছিল আৰু ২০১৫ চনত কাছাৰ কাগজ কল আৰু ২০১৭ চনত নগাঁও কাগজ কল বন্ধ হৈ গৈছিল। তাৰ ফলত তাত কৰ্মৰত বহুত বিষয়া কৰ্মচাৰীয়ে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰিছিল। অতি দূৰ্ভ্যাগ্য জনক কথা আছিল। এই দুয়োটা কাগজ কলৰ জৰিয়তে অসমৰ কৃষি অৰ্থনীতিৰ পৰা আৰম্ভ কৰি তাত নিযুক্তি প্ৰাপ্ত হাজাৰ স্নাতক, ইঞ্জিনিয়াৰ, diploma ধাৰী, ITI, MBA ইত্যাদি যুৱক-যুৱতি সকলে কাম কাজ কৰি আছিল। কিন্তু অচল হৈ পৰাৰ ফলত HPCL য়ে পূনৰ জীৱিত কৰাৰ ক্ষেত্ৰত যেনে ধৰণে উদ্যোগ গ্ৰহণ কৰিছিল, তাৰ ফলতো পৰৱৰ্তীসময়ত যেনে ধৰণে পূনৰ জীৱিত কৰিবলগীয়া পৰিবেশৰ সৃষ্টি হৈছিল, সেই নোহোৱাৰ ফলত দুয়োটা কাগজ কল NCLT ৰ অধীনলৈ যায় আৰু NCLT এ কুলদ্বীপ ভাৰ্মাক Liquidator হিচাপে নিয়োগ কৰে।

কিন্তু অসম চৰকাৰে অতি দায়িত্ব সহকাৰে, যাতে অসমৰ সেই দুয়োটা উদ্যোগৰ লগত জড়িত হৈ থকা ব্যক্তি সকল ভৱিষ্যতৰ দিনত হাৰাশাস্তিৰ সন্মূখীন হ'বলগীয়া নহয়, অথবা এই বৃহৎ পৰিমানৰ সেই সম্পত্তি যাতে অসমৰ চৰকাৰৰ হাততে থাকে, তাৰ কাৰণে আমাৰ চৰকাৰে

অতি গুৰুত্বসহকাৰে দায়িত্ব লৈ সেই liquidator ৰ পৰা ২০২২ চনৰ মাৰ্চ মাহৰ ২৮ তাৰিখে AIDC ৰ জৰিয়তে অসম চৰকাৰেৰ ক্ৰয় কৰে। যদিও আমাৰ দায়িত্ব নাছিল HPCL ত উল্লেখিত কাগজ কল দুটাৰ বাবে অসম চৰকাৰে প্ৰাক্তণ কৰ্মচাৰী, শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ যি দুখ-দুৰ্দশাৰ সন্মুখীন হ'ব লগা হৈছিল, সেই কথা বিবেচনা কৰি সম্পূৰ্ণ মানৱিয়তাৰ খাতিৰত, তেওঁলোকক আৰ্থিক দূৰব্যৱস্থাৰ পৰা উদ্ধাৰৰ স্বাৰ্থত অসমৰ চৰকাৰে নিজ উৎসৰ পৰা ৭৫৮.৭৫ কোটি টকা মূকলাই দি, তাত কাম কৰি থকা শ্ৰমিক কৰ্মচাৰী, ঠিকাভিত্তিক শ্ৰমিকৰ দৰমহা, gratuity,pension, LIC premium, bank EMI আদি দিয়াৰ বাবে আৰ্থিক relief package ও ঘোষণা কৰা হৈছে।

এই ক্ষেত্ৰত অসম চৰকাৰে দায়বদ্ধতা নাছিল, কিন্তু অসমৰ সম্পত্তি যাতে সুৰক্ষিত অৱস্থাত থাকে, তাৰ কাৰণে সাহসী পদক্ষেপ আমাৰ চৰকাৰে গ্ৰহণ কৰিছিল আৰু Liquidator ৰে যি তথ্য দিছিল, সেই তথ্যৰ ভিত্তিত AIDC য়ে উক্ত relief package ধনৰাশি নিয়ম অনুসৰি প্ৰাক্তণ নিয়মীয়, চুক্তিবদ্ধ কৰ্মচাৰী, আৰু ঠিকাভিত্তিক কৰ্মচাৰীসকলক মুকলাই দিছিলো আৰু তেওঁলোকৰ লগত কথা-বতৰা পাতি অসম চৰকাৰে প্ৰায় ৮৩ জন প্ৰাক্তণ কৰ্মচাৰীক বিভিন্ন বিভাগত নিযুক্তি দিয়া হৈছে আৰু সমান্তৰাল ভাৱে অসম চৰকাৰে প্ৰয়োজনীয় কাগজ, সেই কাগজৰ চাহিদা পূৰণ কৰিবৰ কাৰণে এই দুয়োটা কাগজ কল আমি কেনেধৰণে পুৰণ জীৱিত কৰিব পৰা যায়, তাৰো চিন্তা চৰ্চা অব্যাহত ৰাখিছো আৰু ২০২২ চনৰ ১৬ নৱেম্বৰত AIDC ৰ জৰিয়তে নিবিদা প্ৰক্ৰিয়াৰ দ্বাৰা কাছাৰ কাগজ কলটো পুনৰ জীৱিত কৰিবৰ কাৰণে আমি নিবিদা প্ৰক্ৰিয়া আহ্বান কৰিছিলো। কিন্তু এই নিবিদা প্ৰক্ৰিয়া কোনো ... ক্ৰমশ.. next turn -J

টাৰ্ণ জে

**(সদনত উপবিষ্ট মাননীয় উপাধ্যক্ষ ডাঃ নোমল মমিন)**

**শ্ৰীবিমল বৰা, মাননীয় মন্ত্ৰী** ঃ ....ক্ৰমশ....২০২২ চনৰ ১৬ নম্বেৰৰত AIDC ৰ জৰিয়তে আমি নিবিদা প্ৰক্ৰিয়াৰ দ্বাৰা কাছাৰৰ যিটো কাগজ কল, সেই কাছাৰ কাগজ কলটো পুনৰ উজ্জীৱিত কৰিবৰ কাৰণে নিবিদা প্ৰক্ৰিয়াৰো আহ্বান কৰিছিলো। কিন্তু এই নিবিদা প্ৰক্ৰিয়াত কোনো ধৰণৰ নিবিদাকাৰীয়ে অংশগ্ৰহণ নকৰাৰ ফলত আমি এতিয়াও যদিওবা আমাৰ অসম চৰকাৰৰ দুটা সম্পত্তি আমাৰ হাততত আছে। ৭ বছৰ ধৰি যি পুৰণা কাগজ কল দুটা পুনৰ উজ্জীৱিত হোৱা ক্ষেত্ৰত হয়তো কোনো আগবাঢ়ি পৰা নাই। গতিকে অসমৰ কাগজ আমি নিশ্চিতভাৱে অসমত উৎপাদনৰ থল আছে তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা সূদুৰ প্ৰসাৰী চিন্তা যে customise policy ৰ জৰিয়তে আমি অসমত কাগজ কল স্থাপন কৰিবৰ কাৰণে ইতিমধ্যে বিভিন্ন ধৰণে আমি মিডিয়াৰ জৰিয়তে অন্য বিভিন্ন Road show ৰ জৰিয়তে বিভিন্ন ধৰণৰ চামিলৰ জৰিয়তে আমি বিনিয়োগকাৰী সকলক জনাইছো। গতিকে এই ক্ষেত্ৰত অসম চৰকাৰৰ কৰিবলগীয়াখিনি যথেষ্ট কৰিছো। আনহাতে ভাৰত চৰকাৰৰ অধীনত থকা এই গোটেই বিষয়টো আমি অসম চৰকাৰে দায়িত্ব সহকাৰে গ্ৰহণ কৰিছো আৰু মই সদনৰ মজিয়াতএই কথা জনাব বিচাৰিছো যে সমগ্ৰ ভাৰতত এতিয়াও প্ৰায় ৫ স তাতকৈয়ো অধিক কাগজ কল operational হৈ আছে আৰু য'ত ৭০ লাখ টন কাগজ উৎপাদন হৈ আছে। গতিকে বাতৰি কাকতত যেনে ধৰণে বাতৰি প্ৰকাশ পাইছে গোটেইখিনি কথা একেবাৰে সত্য নহয় কিন্তু আমি দায়িত্ব সহকাৰে কাগজ কল প্ৰতিষ্ঠা

কৰাৰ ক্ষেত্ৰত যিসকল বিনিয়োকাৰী আছে interested যিসকল প্ৰতিষ্ঠান আছে তেওঁলোকক আমি অহ্বান জনাই আছো আৰু আগবাঢ়ি আহিলে নিশ্চয় তেনেধৰণৰ কাগজ কল প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা যাৱতীয় সকলোখিনি সহায় আগবঢ়াম।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ), ধিংঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কালি দৈনিক জনমভূমি কাকতত প্ৰকাশিত খাদ্য সুৰক্ষা আৰু মান আইন মুকলি কৰি উলংঘা, অসাধু ব্যৱসায়ীয়ে গুদামৰ পৰা বজাৰত মেলি দিছে নিম্নমানৰ সামগ্ৰী, ভেজাল সামগ্ৰীৰে ভৰিছে বজাৰ শীৰ্ষক বাতৰিটো আপোনৰ জৰিয়তে মই মাননীয় খাদ্য আৰু অসামকি যোগান বিভাগৰ মন্ত্ৰী আৰু স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বৰ্তমান যিটো ভেজাল খাদ্য সামগ্ৰী এই কথাটো নতুন নহয়। আমি প্ৰায়ে যিটো পাই থাকো যে বুটমাহ খোৱাৰ ফলত বা কেতিয়াবা প্ৰসাদ খোৱাৰ ফলত বহু মানুহৰ মৃত্যু হয়, বিষক্ৰিয়া হয়। এই food poisoning ৰ মৃত্যু হয়। এই food poisoning ৰ যি কথাটো তাৰ মুল কাৰণটো হ'ল অসাধু ব্যৱসায়ীয়ে কেতিয়াবা সংৰক্ষণৰ কাৰণে কিছুমান কেমিকেল mix কৰে খাদ্য সামগ্ৰীটো নষ্ট নহয় আৰু কেতিয়াবা সেইটো দেখাত অলপ ধুনীয়া হোৱাৰ কাৰণে কিছুমান artificial colour ব্যৱহাৰ কৰে। সেই ৰংবিলাক ব্যৱহাৰ কৰোতে আজিকালি শাক-পাচলি আৰু কেতিয়াবা দাইল আলু ৰহৰ বা অন্য যিবিলাক পেকেট কৰে, পেকেট কৰোতে তেওঁলোক কিছুমান এনেকুৱা কেমিকেল সামগ্ৰী mix কৰে যাৰ ফলত মূল্যটো ভাল পায়, দেখাত fresh যেন লাগে। কিন্তু এইটো খোৱাৰ ফলত লাহে লাহে বিষক্ৰিয়াটো গৈ লগে লগে নহলেও পৰৱৰ্তী সময়ত এটা সাংঘাটিক কিবা এটা বেমাৰ হয়। আনকি মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি জানিব ডাক্তৰ সকলে এইটো কৈছে যে কিছুমান ভেজাল সামগ্ৰী খোৱাৰ ফলত কেঞ্চাৰ, যকৃতৰ বেমাৰ বা অন্য কিছুমান এলাৰ্জী বা কিছুমান গুৰুতৰ সমস্যা মানুহৰ গাত সৃষ্টি হয়। গতিকে এই কথাটো প্ৰায়ে আমি সংবাদ মাধ্যমত দেখা পাওঁ যে খাদ্য ভেজালকৰণ কেতিয়াবা ধৰা পৰে চৰকাৰী ফালৰ পৰা। কঠোৰ আনি যদি নাই আমি ভাৱো, সদনৰ কঠোৰ আইন প্ৰণয়ন কৰি হ'লেও খাদ্য ভেজাল কৰণৰ বিৰুদ্ধে আমি ব্যৱস্থা ল'ব লাগে। আইন এখন আছে যিটো খাদ্য ভেজালকৰণ আইন ১৯৫৪। তাৰপাছত ২০০৬ চনত খাদ্য সুৰক্ষা আৰু মান আইন কাৰ্য্যকৰী কৰাৰ কাৰণে অসম বিধান সভাত ২০০৬ চনত এটা পদক্ষেপ লোৱা হৈছিল কিন্তু দেখা গ'ল তাৰ পাছতো আইনৰ সুৰুঙাতে হওঁক বা যিকোনো প্ৰকাৰে অসাধু ব্যৱসায়ীয়ে খাদ্য ভেজালকৰণ কৰি আছে। এইক্ষেত্ৰত যদি আইন প্ৰৰ্য্যাপ্ত নহয়, আমি ভাৱো আইন সংশোধন কৰি হ'লেও কঠোৰ কৰিব লাগে। আইনত যদি পৰ্য্যাপ্ত provision আছে কিন্তু excute কৰোতে বিভাগীয় বিষয়া সকলে তেওঁলোকে সক্ৰিয়তা অৱলম্বন কৰা নাই। চৰকাৰে যাতে তেওঁলোকক সক্ৰিয়ভাৱে খাদ্য গুদামত গৈ enquiry কৰা বা চেক কৰা বা পৰীক্ষা কৰা আৰু কোনোবা ব্যৱসায়ী যদি ধৰা পৰে, তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা আমাৰ বিভাগীয় বিষয়া সকলকো সক্ৰিয় কৰাৰ প্ৰয়োজনীয়তা আছে। কিছুদিনৰ আগত শুনিছিলো চীনদেশত তেওঁলোকে খাদ্য সামগ্ৰীত প্লাষ্টিকৰ চাউল, কণী এইলিাকতো mix কৰি কিবা বনাই আৰু এই অসাধু ব্যৱসায়ী সকলৰ কথা চীনদেশত শুনিছিলো। কিছুদিন আগতে মাজে মাজে অসমত social media তো পাই থাকো। মানুহ এজনে কণী এটা আনিছে বজাৰৰ পৰা। যেতিয়া কণীটো ভাঙিছে, তেতিয়া কিবা sponge ৰ নিচিনা elastic ৰ নিচিনা কুহুম আৰু যিটো জুলীয়া পদাৰ্থ থাকে, elastic ৰ নিচিনা ওলমি আছে। Social media তেখেতে দেখুৱাইছে। তাৰমানে সেই পাষ্টিক বনোৱা কণী অসমতো সোমাই গ'ল। এনেকুৱা কেইবাটাও আমি social

media পাইছো বা বিভিন্নজনে আমাক ব্যক্ত কৰিছে। আনকি চাউল, বিস্কুত বা অন্য কিছুমান খোৱা বস্তুটো তাতো এনেকৈ চীনদেশৰ বেমাৰটো তাৰপৰা চাপ্পাই আহিছে নাইবা আমাৰ ইয়াতে অসাধু ব্যৱসায়ীয়ে কোনোবাই technic টো শিকি লৈছে। শিকি সেই পাষ্টিক মিশ্ৰিত কৰি যিবিলাক খাদ্য সামগ্ৰী বনাই আপুনি যিহেতু আৰু ভালকৈ জানিব এই কথাটো কিমান ভয়াবহ ভাবুকি কঢ়িয়াই আনিছে জনস্বাস্থ্যৰ প্ৰতি। গতিকে এই বিষয়টো মই খাদ্য আৰু অসামৰিক বিভাগৰ মন্ত্ৰীৰ লগতে স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰো দৃষ্টি আকৰ্ষণ কৰিলো যাতে এই ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰে। আমাৰ জনজীৱত যাতে জীৱনত যাতে ভয়াবহ বিপদৰ পৰা ৰক্ষা পৰে। এইখিনি কবলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য আপুনি যিটো বুটমাহ প্ৰসাদৰ কথা কৈছে, conterminate হোৱাৰ। কিন্তু আৰু এটা কাৰণ আছে যেতিয়া ঘৰত বুটমাহৰ প্ৰয়োজন হয়, তেতিয়া ১০-১৫ বেগ পুখুৰীত তিয়াই থয় আৰু পুখুৰীত থকাৰ ফলত সেই bectaria বিলাক বুটমাহত সোমাই আৰু এইটো এটা কাৰণ food poisoning ৰ। মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, মাননীয় স্বাস্থ্য মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয়, আমিনুল ইছলাম ডাঙৰীয়াই উত্থাপন কৰিছে তাৰবাবে ধন্যবাদ দিছো আৰু এই যিটো ভেজাল সামগ্ৰীৰে ভৰিছে বজাৰ, এই গোটেই বিষয়টোৰ ক্ষেত্ৰত আমাৰ দৃষ্টিগোচৰ হৈছে আৰু এই ক্ষেত্ৰখনত আমাৰ বিষয়া সকলে দৈনন্দিন কাম-কাজ কৰি আছে। আপোনালোকে আৰু এটা কথা গম পাইছে যে এইক্ষেত্ৰত বিভিন্ন ব্যৱসায়ীৰ মাজে মাজে শাস্তিমূলক ব্যৱস্থাও লোৱা হৈছে। তেখেতে কৈছে যে, Food Saftey Act 2006 যিখন প্ৰবৰ্তন কৰা হৈছিল, এই আইনৰ ৰাজ্যখনৰ সকলো নাগৰিকৰ বাবে সুৰক্ষিত আৰু সুষম খাদ্য নিশ্চিত কৰাৰ বাবে পদক্ষেপ ল'বলৈ আইনখনত উল্লেখ আছে. এতিয়া আমাৰ কিছুদিন আগত Food Saftey Officer কম আছিল।

টাৰ্ণ কে

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** দুই তিনি মাহ আগেত এ পি এচ চিৰ দ্বাৰা ৰিকুইট কৰি তাত আমাৰ মুঠতে ৩৪ জন ফুড চেফিটী অভিচাৰ এপইন্টমেন্ট দিয়া হৈছিল । প্ৰতিখন জিলাতে আমি এই ষ্ট্ৰেংথটো পাইছো । গুৱাহাটী মহানগৰতো বৰ্ত্তমান তিনি জন চিনিয়ৰ অভিচাৰ আৰু ৭ জন খাদ্য সুৰক্ষা বিষয়া কৰ্মৰত হৈ আছে । ইয়াৰে ডাইৰেক্ট'ৰেট অভিছটোও ইয়াতে আছে । ইয়াত আমি খাদ্য সুৰক্ষা আইনৰ অধীনত ব্যৱসায়ী সকলক পঞ্জীয়ন প্ৰদান কৰিছো । উন্নত খাদ্য সামগ্ৰীৰ নমুনা সময়ে সময়ে বজাৰৰ পৰা সংগ্ৰহ কৰা হৈছে । ৰাজ্যখনৰ খাদ্য সুৰক্ষাৰ মাদণ্ড প্ৰাদেশীকৰণ ভাৰতবৰ্ষৰ দ্বাৰা স্বীকৃতি দিয়া এক মাত্ৰ পৰীক্ষাগাৰ । আমি তাতে যিখিনি ব্যৱস্থা ল'ব লাগে সেইখিনি লৈ থকা হৈছে । এতিয়া এই ব্যৱস্থা লোৱাৰ ওপৰিও তেখেতে কৈ অহা ধৰণে বজাৰ পৰিদৰ্শন কৰা হৈছে । বৰ্ত্তমান শাক - পাচলিৰ ওপৰতো ওলাইছে কিন্তু ইয়াৰ যিখিনি পৰীক্ষা নিৰিক্ষা আছে ইয়াৰ ৰিজাল্টটো আহিবলৈ অলপ সময় লাগে । গতিকে ব্যৱসায়ী বিলাকে সেইখিনি সময় পাই যায় । গতিকে তৎকালীনভাবে ব্যৱসায়ীজনক ধৰাৰ লগে লগে তেওঁ বিক্ৰি কৰা খাদ্যবস্তুৰ পৰীক্ষাৰ ৰিজাল্ট অহালৈকে আৰু তাৰ পিছত কোৰ্টত কেচ চলতো প্ৰায় দুই - তিনি বছৰ লাগি যায় । আৰু তাৰ পিছতহে ব্যৱসায়ীজনে শাস্তি পায় । গতিকে এই দীঘলীয়া ব্যৱস্থাটোৰ সলনি আমি সোনকালে কৰাৰ ব্যৱস্থা যিটো ল'ব লাগে সেইটো এতিয়াও হোৱা নাই ।

কাৰণ কোৰ্ট লৈ গ'লেহে কেচটো চলিব আৰু কোৰ্টেহে শাস্তিৰ নিৰ্দেশ দিব।

**শ্ৰীআমিনুল ইছলাম,(জ্যেষ্ঠ) ধিং ঃ** মন্ত্ৰী মহোদয় আইনখন সংশোধন কৰিব পৰা যাব নেকি ?

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** এইটো বিবেচনা হৈ আছে কিন্তু ব্যৱসায়ীসকলক হাতেলোটে ধৰিবলৈ একো ব্যৱস্থা হৈ থকা নাই ।

**মাননীয় উপাধ্যক্ষ ঃ** প্লাষ্টিক কণী আৰু প্লাটিক চাউল কিবা পাইছেনেকি ?

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** হয়, এইটো আমাৰ ফুড এণ্ড চিভিল চাপ্লাই মন্ত্ৰীয়ে ভালকৈ জানিব ।কিন্তু চাউলত যিটো দিয়ে সেইটো ফৰ্টিফাইড ভিটামিন ।এশ কেজি চাইলত এক কেজি দিয়া হয় ।এইটো ভিটামিনহে হয় ।

**মাননীয় উপাধ্যক্ষ ঃ** মানে এইটো ইমান দিনে মিছ কনচেপ্ট গৈ আছিলে ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** হয়, এইটো মিচ কনচেপ্ট গৈ আছিল। গতিকে মই আজি যিটো কথা উল্লেখ কৰিলো আৰু এই কথা বিধান সভাৰ মজিয়াত অনা বাবে মই তেখেতক ধন্যবাদ দিছো। গতিকে আমি ৰাইজৰ খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত যোৰদাৰভাৱে লাগিব পাৰিম ।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে জিৰো আৱাৰৰ সময়খিনি খুব ভালদৰে ব্যৱাহাৰ কৰিলে তাৰ বাবে ধন্যবাদ। এতিয়া আণ্ডাৰ ৰুল ৫৪ , কাৰ্য্যসূচী নং- ২ - মাননীয় সদস্য নুৰুল হুদা আৰু জলেন দৈমাৰী, তেখেতসকলৰ দুটা আছে ।এতিয়া নুৰুল হুদা ।

**শ্ৰীনুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপিৰচালনাৰ নিয়মাৱলীৰ ৫৪ নিয়ম অনুসৰি জল সম্পদ বিভাগৰ গড়াখহনীয়া ৰোধ কৰা সন্দৰ্ভত জাননীখন উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে আপোনাক মই ধন্যবাদ জনাইছো ।উপাধ্যক্ষ মহোদয়, চামগুৰি জিলাৰ ভূৰবন্ধা গাওঁ পঞ্চায়ত এলেকাৰ প্ৰায় কেইবাহাজাৰ বিঘা মাটি ২০১৩ চনৰ পৰা বৰ্ত্তমানলৈকে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈ আছে ।১ নং- ২ নং- ৩নং আৰু ৪ নং ভূৰবন্ধা আৰু ১ নং ২ নং ৩ নং আৰু ৪ নং বগামুখ অঞ্চলৰ বহলে প্ৰায় তিনি কি.মি আৰু দিঘে আঠ - দহ কি.মি খহাই গৈ আছে । এই খহনীয়া এনে অৱস্থা পাইছেগৈ যাৰ ফলত এই কেই বছৰত আমাৰ ৫১৭ টা পৰিয়ালৰ ঘৰ মাটি খেতি পথাৰ সম্পূৰ্ণৰূপে জাহ গৈছে । সেই লোকসকলৰ দূখ কুলাই পাচিয়ে নধৰা হৈছে ।বৰ্তমান তাত যিখন শান্তি বজাৰ আছে আৰু তাৰ যিটো বসতিপূৰ্ণ এলেকা সেইটো ভাঙিবলৈ আৰু মাত্ৰ এশ মিটাৰ মানহে বাকী আছে । আমাৰ অসম চৰকাৰৰ যিটো জিঅ'বেগ গৰাখহনীয়া ৰোধ কৰাৰ আঁচনি লৈছে সেইটো ভাল আঁচনি । কলিয়াবৰৰ ৰাজহ চক্ৰ এলেকাত যোৱা বছৰ জিঅ'বেগ দিয়াৰ কাৰণে গড়াখহনীয়া ৰোধ হৈছে গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে বাৰিষা অহাৰ আগতে এই ঠাইবিলাকত যদি জিঅ'বেগ প্ৰদান কৰে তেন্তে এই গাওঁসমূহ বজাৰ হাট আৰু হাজাৰ হাজাৰ পৰিয়াল ৰক্ষা পৰিব। গতিকে বাৰিষা অহাৰ আগতে এই ব্যৱস্থাটো কৰিবলৈ মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ- এতিয়া জলেন দৈমাৰী ।

**শ্ৰীজলেন দৈমাৰী, তামূলপুৰ ঃ** ----- বড়ো ----- প্ৰথমে মই আমাৰ জলসম্পদ মন্ত্ৰী ডাঙৰীয়ালৈ ধন্যবাদ জনাইছো । যোৱা বছৰ বানপানীত তামূলপুৰ সমষ্টিত যথেষ্টখিনি ক্ষতিগ্ৰস্থ হৈছে ।এই অঞ্চবিলাকত মন্ত্ৰী ডাঙৰীয়াই নিজে পৰিদৰ্শন কৰিছিল । প্ৰতি বছৰে বানপানী হোৱাৰ লগে লগে মাটি ভেটি খেতি পথাৰ ইত্যাদি নষ্ট হৈ গৈছে । তামূলপুৰ সমষ্টিত থকা নদীবিলাকৰ দাঁতিকাষৰীয়া অঞ্চলবিলাক গড়াখহনীয়াৰ বাবে নাইকীয়া হৈ যাব ধৰিছে । গতিকে এই

গড়খহনীয়াবিলাকত পৰৱৰ্ত্তী সময়ত যাতে মথাউৰী নিৰ্মাণ কৰি বা জিঅ'বেগ প্ৰদান কৰি এই গড়াখহনীয়া ৰোধ কৰিব পাৰে । যোৱাবাৰ আমাৰ তামূলপুৰৰ পলোকাটা, জাৰতালুক, গান্ধীবাৰী , নাওঁকাটা, নিধুৱা এই অঞ্চলবিলাকত জল সম্পদ বিভাগৰ ফালৰ পৰা মঠাউৰিৰ নিৰ্মাণৰ কাম চলি আছে । ইয়াৰ বাবেও মই মন্ত্ৰী ডাঙৰীয়াক অশেষ ধন্যবাদ জনাইছো । বৰ্ত্তমান আমাৰ যি মটঙা নদীৰ গড়াখহনীয়াৰ ফলত তামুলপুৰৰ উলুবাৰীৰ পৰা বৰনগৰলৈ আমাৰ যি ৰঙিয়া - ভূটান নেশ্যনেল হাইৱে আছে মোৰ সমষ্টিৰ ওচৰতে হয়। তাত মন্ত্ৰী ডাঙৰীয়াও পৰিদৰ্শন কৰিছিল। এই নদীখনতো আমি যদি বাৰিষাৰ আগতে মঠাউৰি বা জিঅ'বেগৰ ব্যৱস্থা কৰিব পাৰো নিশ্চয় ভাল হ'ব। পাগলাদিয়া নদীৰ গড়াখহনীয়াৰ ফলত জাৰতালুক অঞ্চলৰ উত্তৰ - দক্ষিণে বহু কেইটা মঠাউৰি নিৰ্মাণ কৰিছে যদিও আৰু দুটামান মথাউৰি নিৰ্মাণ কৰিব লগা আছে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক নজৰ দিয়াৰ বাবে অনুৰোধ জনাইছো । শুক্লাই নদীৰ গড়াখহনীয়াৰ ফলত বহুতো খেতিপথাৰ নষ্ট হৈছে তেনেকুৱা নাওকাটাৰ যি অঞ্চল আছে তাত যোৱা বছৰ বিটিআৰ চৰকাৰৰ ফালৰ পৰা ৰিং বান্ধ দি মেৰামতি কৰা হৈছিল কিন্তু এইখিনিয়ে যথেষ্ট নহয় । এই নাওকাটা আৰু নিধুৱাৰ দুই পাৰে আমি যদি মঠাউৰিৰ ব্যৱস্থা কৰিব পাৰো তেন্তে যথেষ্ট লাভবান হ'ব এই অঞ্চলটো । বাল্টি নদীৰ গড়াখহনীয়ৰ বিষয়ে সকলোৰে জানে- ঘিলাঝাৰ, ভালুকমাৰীৰ বহু অঞ্চল যোৱা বানপানীৰ পৰাই ইয়াত গড়াখহনীয়া হৈ আছে গতিকে ইয়াৰ ওপৰিও বৰনদী আৰু বগামাটি আছে , বগামাটিৰ যিটো পিকনিক স্পট হয় প্ৰতিবছৰে বহু মানুহ আহে গতিকে ইয়াৰ বাবে ব্যৱস্থা ল'বলৈ মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

টাৰ্ণ এল

মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ মহোদয় উপবিষ্ট।

**শ্ৰী জলেন দৈমাৰি, বিধায়ক( তামুলপুৰ) ঃ....** ক্ৰমশ...... মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও আমাৰ যি বৰনদী আছে, য'ত বগামাটি বনভোজ স্থলী আছে, তাত প্ৰত্যেক বছৰে যথেষ্টখিনি গড়াখহনীয়া হয়। ইয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে মথাউৰি নিৰ্মাণ কৰি তামুলপুৰ বাসীক উপকৃত কৰিবৰ বাবে অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পিয়ূষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, জলসম্পদ ইত্যাদি বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই নগাওঁ জিলাৰ চামগুৰি সমষ্টিৰ ১ নং ভূৰবন্ধা, ২ নং ভূৰবন্ধা, ৩ নং ভূৰবন্ধা, ৪ নং ভূৰবন্ধা, ১ নং বগামুখ, ২ নং বগামুখ, ৩ নং বগামুখ, ৪ নং বগামুখ আদি অঞ্চলত প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰ নদীয়ে গড়াখহনীয়াৰ দ্বাৰা তাণ্ডৱ সৃষ্টি কৰিছে, এই বিষয়ে অৱগত কৰিছে। মই তেখেতক জনাবলৈ পাই সুখী হৈছো যে আমি ২০১৯ বৰ্ষত ২১.২৭ কোটি টকাৰ Protection of Bhurbandha and its adjoining areas against the erosion of Brahmaputra river, construction of lands spark বনাবলৈ সক্ষম হৈছো। যোৱা বছৰ মই এই বিষয়ে অৱগত আছিলো কাৰণ চামগুৰি বিধান সভাৰ মাননীয় সদস্য সন্মানীয় ৰকিবুল হুছেইন ডাঙৰীয়াই এই বিষয়ে মোক অৱগত কৰিছিল আৰু তাৎক্ষণিকভাৱে আমি সেই অঞ্চলটোৰ অস্থায়ীভাৱে গড়াখহনীয়া ৰোধৰ বাবে আমি প্ৰায় ৫৭৯০ টা পাৰ্কুপাইন মেম্বাৰৰ কাম কৰিছিলো। মুঠতে আমি ৫৭৯০ টা পাৰ্কুপাইন চেট তাত পঠিয়াবলৈ

ব্যৱস্থা কৰিছিলো আৰু তৎকালীনভাৱে যিখিনি কৰিব পাৰো সেইখিনি কৰাৰ চেষ্টা কৰিছিলো। মই মাননীয় সদস্য গৰাকীক ক'বলৈ পাই সুখী হৈছো যে সেই অঞ্চলটোৰ তিনি কিলোমিটাৰ অঞ্চলত ডেৰ শ মিটাৰ পাৰ হৈ পাৰ্কুপাইন স্কীম দিবৰ বাবে আঠ কোটি টকা ধাৰ্য্য কৰিছিলো। ইয়াৰ বাবে ইতিমধ্যে টেণ্ডাৰ কৰা হৈছে আৰু দহৰ পৰা পোন্ধাৰ দিনৰ ভিতৰত এই কামখিনি কৰিব পাৰিম আৰু মই আশা ৰাখিছো যে বানপানীৰ আগতে কাম কৰিব পাৰিম। আপুনি Geo bag ৰ কথা কৈছে। আমি অলপ বেলেগ দৃষ্টিৰে চাইছো। আমি প্ৰথমে পাৰ্কুপাইনৰ স্কীমেৰে অলপ stable কৰি তাৰ পিছত আমি Geo bag protection ৰ কাম কৰিব খুজিছো। আমি যদি এতিয়া Geo bag protection কৰি দিওঁ সেইখিনি উটুৱাই লৈ যোৱাৰ সম্ভাৱনা থাকে। সেইকাৰণে আমি বেলেগ এটা দৃষ্টিভঙ্গীৰে এই বছৰ পাৰ্কুপাইনৰ স্কীম দি ঠাইখিনি অলপ stable কৰি অহা বছৰ সমগ্ৰ ঠাইতে Siltation হোৱাৰ পিছত Geo bag protection ৰ কাম আৰম্ভ কৰিম বুলি আশা ৰাখিছো। সন্মানীয় সদস্য জলেন দৈমাৰী ডাঙৰীয়াই যিটো কথা কৈছে, সেই বিষয়ে মই সদনক জনাব বিচাৰিছো আৰু আগতেও কৈছো যে আমি বি টি চি উন্নয়ণৰ বাবে দায়বদ্ধ আৰু অসমৰ প্ৰত্যেখন ষষ্ঠ অনুসূচীত এলেকাত কাম কৰিবলৈ আমাৰ চৰকাৰখন প্ৰতিশ্ৰুতিবদ্ধ। কিন্তু মই সদনত পুনৰ এই কথাটো জনাব বিচাৰিছো যে এই আটাইকেইটা বিভাগেই Transferred Subject হয়। সেইকাৰণে আমি উপৰোৱাকৈ কাম কৰিব নালাগে। সন্মানীয় সদস্য গৰাকীয়ে হয়তো এইটো কথা জানে। কিন্তু আমি এইটো অলপ বেলেগ দৃষ্টিভঙ্গীৰে চাওঁ। আজি যদি কোকৰাঝাৰ, ওদালগুৰি, তামুলপুৰত পানী হয়, আমি টি ভিত এনেদৰে ক'ব নোৱাৰো যে ইয়াৰ দায়িত্ব প্ৰমোদ বড়ো ডাঙৰীয়া বা বি টি চি চৰকাৰে ল'ব লাগিব। আমাৰ এনেদৰে কোৱাত অসুবিধা পাওঁ। আজি যদি মাননীয় উপাধ্যক্ষ ডাঙৰীয়াৰ সমষ্টিত বৈঠালাংচুত পানী হয়, আমি মাননীয় উপাধ্যক্ষ ডাঙৰীয়াক ক'ব নোৱাৰো যে আপুনি তুলিৰাম ডাঙৰীয়াক কৈ এই কামখিনি কৰাই ল'ব। আমি এনেদৰে কোৱাত অসুবিধা পাওঁ। আমি বি টি চি আৰু তিনিখন ষষ্ঠ অনুসূচীত এলেকাত যোৱা আঢ়ৈ বছৰে যথেষ্টখিনি দিবলৈ সক্ষম হৈছো। মই তেখেতৰ প্ৰশ্নটো অলপ আগতে পাইছো আৰু মোৰ ওচৰত উত্তৰটো বিতংভাৱে নাছিল। তথাপিও মই ব্ৰেকআপত দিব পাৰিম। মোৰ বোধেৰে যোৱা আঢ়ৈ বছৰে আমি বি টি চি এৰিয়াত প্ৰায় চাৰে তিনি কোটি টকা ওপৰিঞ্চি বানপানী আৰু গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে দিছো আৰু ঠিক তেনেকৈ প্ৰায় এশ কোটিত কৈ অধিক টকা কাৰ্বি আংলং আৰু দুয়োখন জিলাত দিছো। ঠিক তেনেকৈ আমি ডিমাহাচওতো দিছো। যোৱা দুটা বছৰত সন্মানীয় সদস্য গৰাকীৰ সমষ্টিত বানপানী চাবলৈ অতি কমেও পাঁচ-ছয় বাৰ গৈছো। তেখেতেও কৈছে যে তেওঁৰ সমষ্টি যাৰতালুকত মথাউৰিৰ কাম আৰম্ভ হৈছে , এটা পাৰে বাক্সা আৰু আনফালে তামুলপুৰ অঞ্চলত মথাউৰিৰ কাম আৰম্ভ হৈছে। তেওঁৰ সমষ্টি বা বি টি চিৰ বানপানী লৈ আমি খুব সচেতন। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক সদায় এই বিষয়ে কয় আৰু নিশ্চয়কৈ তেখেতৰ কামখিনি অনাগত দিনত কৰিব পাৰিম বুলি সদন প্ৰতিশ্ৰুতি দিছো। ধন্যবাদ।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, বিধায়ক (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আধা মিনিট ক'বলৈ বিচাৰিছো। বঙাইগাওঁ জিলাৰ চকুলো সদৃশ আই নদীৰ তিনিশ পঞ্চল্লিশ কোটি টকীয়া আঁচনিৰ আপুনি প্ৰস্তুত কৰি আছে। এতিয়া এইটো কি পৰ্য্যায়ত আছে?

**শ্ৰী পিয়ূষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, জলসম্পদ ইত্যাদি বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আই নদীৰ ওপৰৰ অংশ চিৰাং জিলাত আমাৰ ইতিমধ্যে এটা স্কীম চলি আছে আৰু এইখিনি পৰ্য্যায়ক্ৰমে নিশ্চিভাৱে হ'ব বুলি আশা ৰাখিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং-৩। মই ৰোল-৩০১ ৰ অধীনত মাননীয় সদস্য ভাস্কৰজ্যোতি বৰুৱাক ক'বলৈ অনুৰোধ কৰিলো।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, বিধায়ক (তিতাবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো সাধাৰণ প্ৰশাসন বিষয়ৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি বিষয়টোৰ ওপৰত আলোচনা কৰাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো। বিষয়টো হৈছে - গুৱাহাটী মহানগৰীৰ যান-জঁটৰ সমস্যা আৰু ইয়াৰ সমাধান। মই যি গুৱাহাটী মহানগৰীৰ যান-জঁটৰ সমস্যাৰ কথা ক'ব বিচাৰিছো ইয়াৰ বিষয়ে আপোনালোক সকলোৱে সদায় উপলব্ধি কৰি আছে আৰু অসম চৰকাৰেও বিভিন্ন সময়ত উৰণীয়া সেঁতু বনাই কেনেদৰে যান-জঁটৰ সমস্যা কেনেকৈ কমাব পাৰে, তাৰ ওপৰত ব্যৱস্থা লৈছে। কিন্তু আমি দেখিছো যে উৰণীয়া সেঁতুখন পাৰ হৈ যোৱাৰ লগে লগে শেষৰ অংশত পুনৰ যান-জঁটৰ সমস্যা হয়। এইটো এটা কেতিয়াওঁ সমাধান নোহোৱা সমস্যাৰ নিচিনা হৈছে। আপোনালোক সকলোৱে জানে গুৱাহাটীখন কেনেকুৱা সুন্দৰ চহৰ। আজি বহু বছৰ আগতে অষ্ট্ৰেলিয়ান ক্ৰিকেট টীম অসমলৈ আহিছিল। তেওঁলোকে খুব প্ৰশংসা কৰিছিল। তেওঁলোকে কৈছিল যে তেওঁলোকে যেতিয়া গুৱাহাটী অৱতৰণ কৰে তাৰ আগত ওপৰৰ পৰা যি অসমৰ ভৌগলিক দৃশ্য নদ-নদী, পাহাৰ-পৰ্বতৰ ইমান এটা সুন্দৰ পৰিৱেশত আপ্লুত হয়। কিন্তু বৰ্তমান গুৱাহাটীত যান-জঁটৰ সমস্যা আৰু বানপানীৰ সমস্যাটো লৈ এটা ভয়াৱহ সমস্যা হৈছে। আমি গুৱাহাটীলৈ সৰুৰ পৰা আহি আছো আৰু সেইদিনাখন আহোতে খানাপাৰাৰ ওচৰৰ ট্ৰেফিক জামত দিছপুৰ পাওঁতে ডেৰ ঘণ্টা সময় লাগিছে। তেতিয়া চিন্তা কৰিছিলো যে কিবা এটা বিকল্প পথ উলিয়াব পাৰি তেতিয়া যান-জঁটৰ সমস্যাটো কিছু পৰিমাণে সমাধান হ'ব। মোৰ এটা কথা মনত আহিছে যে উজনি অসমৰ এখন চহৰ সকলো ধৰণৰ সুবিধা থকাকৈ নতুনকৈ যদি আটক ধুনীয়াকৈ বনাও আৰু তাত সুন্দৰ এটা প্ৰশাসনিক ব্লক বনোৱা যায়। মই চৰকাৰক বিশেষকৈ যোৰহাটত এনেকুৱাকৈ এটা সুন্দৰ প্ৰশাসনিক ব্লক বনাবলৈ অনুৰোধ জনাইছো। য'ত গুৱাহাটীত নহাকৈ পঁচানব্বৈ শতাংশ কাম উজনি অসমত কৰি দিব পাৰো। ডিব্ৰুগড়, লখিমপুৰ, তিনিচুকীয়া, যোৰহাট আনকি দৰঙৰ পৰা আহিও ইয়াত কামখিনি কৰিব পৰা যাব। গতিকে উজনি অসমত আমি যদি এখন চহৰ নিৰ্বাচিত কৰি লওঁ তেতিয়াহ'লে গুৱাহাটীত বহু ট্ৰেফিক জাম কমি যাব। আমাৰ বৰ্তমান গুৱাহাটীত জন বিস্ফোৰণ ঘটিছে। সেয়েহে আমি গুৱাহাটীৰ জনসংখ্যা কমাব লাগে। আমি যদি এইখিনি যোৰহাটলৈ লৈ যাব পাৰো, যিহেতু মই যোৰহাটৰ বাসিন্দা আৰু এইখন এখন ঐতিহ্যমণ্ডিত চহৰ ইয়াত আহোম ৰজাৰ শেষ ৰাজধানী আছিল, সেয়েহে যোৰহাটত যদি গোটেই প্ৰশাসনিক ব্লকসমূহ লৈ এখন চহৰ গঠন কৰো, মই ভাৱো আমাৰ এই ট্ৰেফিক জাম যথেষ্ট কমিব। যোৰহাটৰ লগত নাগালেণ্ড আৰু মণিপুৰৰ সংযোগ আছে আৰু মাজুলীৰ ব্ৰীজখন হৈ যোৱাৰ লগে লগে অৰুণাচলৰ লগতো সংযোগ হ'ব। সেয়েহে তিনিখন ৰাজ্যক লৈ এখন ব্যৱসায়িক হাব হ'ব পাৰে আৰু শিক্ষাৰ হাব ইতিমধ্যে হৈ আছে। যিখিনি অতি প্ৰয়োজনীয় অফিচ যিখিনি নহ'লে চৰকাৰে কাম কৰিব নোৱাৰে, তাৰ বাহিৰে অন্য অফিচসমূহ যদি যোৰহাটলৈ লৈ অহাৰ ব্যৱস্থা কৰো, মই ভাৱো উজনিৰ

............ক্ৰমশ.............

টাৰ্ণ এম

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা (তিতাবৰ)ঃ ...ক্ৰমশ....**উজনিৰ আটাইখিনি বিধায়ক ইয়াত আছে। তেখেতসকলেও মোৰ কথাটোত সমৰ্থন জনাব কাৰণ গুৱাহাটীখন আমি আৰু আটকধুনীয়া কৰিব বিচাৰিছো। মানুহৰ জনসংখ্যা অলপ কমিব লাগে। পানীৰ সমস্যাটোও কমি যাব কাৰণ এতিয়া চৰকাৰে যথেষ্টখিনি চেষ্টা কৰিছে। বহু ঠাই বেদখলমুক্ত কৰাৰ কথা কৈছে। শিলসাঁকো বিল বেদখলমুক্ত কৰাৰ কথা কৈছে। গতিকে আজি মই নিয়ম নং ৩০১ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যে যোৰহাটখনক আমি এখন সুন্দৰ চহৰ কৰি তুলিব পাৰো। তাত ট্ৰেইনৰ সুন্দৰ সংযোগ আছে। বৰ্তমানৰ কেন্দ্ৰীয় Shipping মন্ত্ৰীয়ে বহুতো অভিলাষী আঁচনি ব্ৰহ্মপুত্ৰত লৈছে। Act East Policy ৰ জৰিয়তে খুব সুন্দৰ প্লেটফৰ্ম বনাই তাত অহা-যোৱা কৰিব পৰাৰ ব্যৱস্থা কৰি দিছে। আজি আমাৰ জলসম্পদ মন্ত্ৰীও আছে, তেখেত এজন উদ্যোগী ব্যক্তি। আজি তেখেতে porcupine ৰ যিখিনি কথা কৈছে, সেইবোৰ ঠিক যে আমি যদি পানীৰ সোঁতটো ভাঙি দিব পাৰো, তেতিয়া হ'লে আমি লাহে লাহে দেখিম যে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ সমস্যাটো কমি যায়। আৰু যদি water raise টো যদি আমি দ' কৰি লৈ যাব পাৰো তেতিয়া আমি পানীয়েদিও সুন্দৰকৈ অহা-যোৱা কৰিব পাৰিম। তেতিয়া আমাৰ পৰ্যটনৰ উদ্যগটোও বাঢ়িব। এইখিনি কথাকে মই চৰকাৰৰ ওচৰত আহ্বান জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় সভাপতিঃ** ধন্যবাদ।

মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী ৰণজিৎ দাস, মন্ত্ৰী, সাধাৰণ প্ৰশাসন ইত্যাদিঃ** মাননীয় সভানেত্ৰী মহোদয়া, আমাৰ বিধায়ক ভাস্কৰ জ্যোতি বৰুৱা ডাঙৰীয়াই বিষয়টো আনিছিল-"গুৱাহাটী মহানগৰৰ যান-জঁটৰ সমস্যাৰ সমাধান।' কিন্তু, তেখেতৰ মূল বিষয়টো হৈছে চৰকাৰে যদি উজনি অসমৰ চৰকাৰী আঞ্চলিক কাৰ্যালয়ৰ বিভাগসমূহ সম্পূৰ্ণ কৰ্তৃত্ব দি যোৰহাটত স্থাপন কৰে তেনেহ'লে উজনি অসমৰ প্ৰায় কাম-কাজ যোৰহাটতে কৰিব পৰা যাব। ইয়াৰ ফলত গুৱাহাটীলৈ অহা মানুহ আৰু গাড়ীৰ সংখ্যা কমিব। কিন্তু সভাপতি ডাঙৰীয়ানী, মই এই ক্ষেত্ৰত জনাব বিচাৰিছো যে গুৱাহাটীত যান-জঁট হৈছে, এইটো স্বাভাৱিক কথা। যান-জঁট হোৱাৰ লগে লগে গুৱাহাটীত বা অসমত মানুহৰ অৰ্থনৈতিক উন্নয়ন হৈছে। এই কাৰণেই অৰ্থনৈতিক উন্নয়ন হৈছে যে আজি প্ৰায় মানুহৰ ঘৰতেই গাড়ী হৈছে। মানুহৰ যেতিয়া ঘৰত গাড়ী থাকিব, Four wheeler য়েই হওঁক বা two wheeler য়েই হওঁক, স্বাভাৱিকতে যান-জঁটৰ কিছু সমস্যা আহিব। পৰিবহন বিভাগৰ পৰা পোৱা তথ্য মতে গুৱাহাটীত দৈনিক ৫ লাখতকৈ অধিক বাহন চলাচল হয়। বাহন চলাচল হোৱাত আমাৰ কোনো আপত্তি নাই। আমি বিচাৰো সকলো মানুহৰে বাহন হওঁক। তাৰ লগে লগে, আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সেই যান-জঁটৰ কথা উপলব্ধি কৰি গুৱাহাটীত আজি এক-ডেৰ বছৰৰ ভিতৰত যিমানখিনি fly over বনালে, তাৰ ফলস্বৰূপে আমি যান-জঁটৰ পৰা কিছু হ'লেও সকাহ পাইছো। কাৰণ আগতে মই ইয়াৰ পৰা মালিগাওঁ হৈ জালুকবাৰীৰে পাঠশালালৈ যাওঁতে এইখিনিতে ডেৰ ঘণ্টা লাগিছিল, কিন্তু, এতিয়া মই এয়াৰপৰ্টলৈ যাওঁতে মাত্ৰ ৪০ মিনিট লাগে। গতিকে, নিশ্চিত ৰূপত, মই নিজেই প্ৰমাণ পাইছো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ অভিলাষী fly over bridge ৰ আঁচনিৰ কাৰণে যান-জঁটৰ কিছু সমস্যা লাঘৱ হৈছে। আনহাতে, এতিয়া যান-জঁটৰ সমস্যা লাহে লাহে আৰু কমি আহিব কিয়নো মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই চৰকাৰৰ দিনত আৰু এটা অভিলাষী আঁচনি লৈছে। সেইটো হ'ল- e-Office. ইয়াৰ জৰিয়তে আমাৰ সচিবালয়ৰ যিমান কাম-কাজ, সেইবোৰ প্ৰায় ৩৩ মাহৰ এই চৰকাৰখনত প্ৰায় ২ লাখ ১ হাজাৰ e-file dispose

কৰিছো। তাৰ মানে, এই ২ লাখ মানুহে আগতে গুৱাহাটীলৈ আহিব লাগিছিল। এইটো কেৱল সচিবালয়ৰ তথ্য। মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰথমতে দায়িত্ব লৈয়ে কৈছিল যে যিসকল আমাৰ সচিবালয়ৰ বিষয়া-কৰ্মচাৰীয়ে কম্পিউটাৰ নাজানে, e-file ৰ কাম নাজানে, তেওঁলোকে নিজৰ নিজৰ জিলাত বদলি হৈ গ'লেও আপত্তি নাই। কাৰণ আমি এতিয়া e-office ৰ জৰিয়তে আগুৱাব বিচাৰিছো। সকলোৰে জানে যে আমি মন্ত্ৰীসকলে সমগ্ৰ জিলাসমূহ ভ্ৰমণ কৰিছো, মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাৰ তথ্য দাঙি ধৰিছে। এই জিলা সমূহ ভ্ৰমণ কৰাৰ সুযোগটো কিহৰ কাৰণে পাইছো? আমি e-office প্ৰৱৰ্তন কৰাৰ কাৰণে পাইছো। আমি যিহেতু এতিয়া online তেই হওঁক বা কম্পিউটাৰতেই হওঁক বা whatsappতেই হওঁক, যিমানখিনি ফাইল আহে, আমি লগে লগে dispose কৰো । গাড়ীত গৈ থাকোতেও ২০-৩০ টা ফাইল dispose কৰিব পাৰিছো। তাৰ মানে দিশপুৰত নোহোৱাকৈ এতিয়া ফাইল dispose হৈ আছে। ঠিক তেনেকৈ জিলা প্ৰশাসনসমূহতো আমি ১ লাখ ৪ হাজাৰতকৈ অধিক e-file dispose কৰিছো। এই মানুহবোৰ আহিবলগীয়া নোহোৱাৰ বাবে যান-জঁট বা বাহনৰ কাৰণে খৰচ কমি যোৱাই নহয়; মোৰ কাৰণে বা চৰকাৰখনৰ কাৰণে বা অসমৰ কাৰণে এটা ডাঙৰ কথা হৈছে যে আমি ইন্ধন ৰাহি কৰিছো। সচিবালয় আৰু জিলা প্ৰশাসনৰ মিলি সৰ্বমুঠ ৩ লাখ মানুহৰ বাহনৰ ইন্ধন ৰাহি হোৱাটো বহুত ডাঙৰ পদক্ষেপ বুলি মই ভাৱো। আমি সেইটো পৰ্যায় ক্ৰমে গৈ আছো। তাৰোপৰি, আমি যিমানবোৰ DC Office খুলিছো, সেইবোৰ Integrated DC Office. আগতে মানুহে DC কাৰ্যালয়ত গৈ কৃষি কাৰ্যালয়লৈ আৰু ৮ কিঃমিঃ যাব লাগে, মীন কাৰ্যালয়লৈ আৰু ২০ কিঃমিঃ যাব লাগে। আগতে মানুহে সকলো বিভাগৰ কাৰ্যালয় বিচাৰে। মানুহে গৰ্ব বুলি ভাৱে যে আমাৰ ইয়াত বিভিন্ন বিভাগৰ কাৰ্যালয় আছে। জিলাখনৰ প্ৰতিটো স্থানতে কাৰ্যালয় বিচাৰে। কিন্তু তাৰ ফলত মানুহৰ সময় নষ্ট হৈছে, পৰিবহন ব্যয় বাঢ়িছে আৰু ইন্ধন ক্ষতি হৈছে। যাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই Integrated DC Officeৰ কথা কৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আৰু এটা ডাঙৰ সিদ্ধান্ত লৈছে যে বৰাক উপত্যকাত Mini Secretariat পতাটো। পূৰ্বতে, বৰাকৰ মানুহ ইয়ালৈ আহিছিল। এতিয়া আমি e-file ৰে dispose কৰিছো। তথাপিতো কিবা কাৰণত যদি আহিবলগীয়া হয় তাৰ কাৰণে Mini Secretariatৰ কাম-কাজ বৰাক উপত্যকাত চলি আছে। আনহাতে, কেবিনেটত সিদ্ধান্ত লোৱা হৈছিল, যিটো নিশ্চিতভাৱে আগন্তুক দিনত হ'ব যে ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী সচিবালয়ৰ এটা কাৰ্যালয় স্থাপন হ'ব যাতে যোৰহাট, শিৱসাগৰৰ মানুহ ডিব্ৰুগড়ত গৈ কামখিনি কৰিব পাৰে। ঠিক একেদৰে, আমি তেজপুৰত এটা ৰাজ্যপালৰ সচিবালয়ৰ কাৰ্যালয় খোলাৰ বাবে ইতিমধ্যে সিদ্ধান্ত লোৱা হৈছে। যোৰহাটখন ইমান ধুনীয়া চহৰ। গতিকে, মই ভাৱো যে কাৰ্যালয়সমূহ যোৰহাটতত নি আপুনি যদি গুৱাহাটীৰ নিচিনা যন্ত্ৰণাসমূহ জাপি দিয়ে, এটা সময়ত মানুহে আপোনাক গালিহে পাৰিব । তাৰ বিপৰীতে প্ৰতিটো ব্লক, পঞ্চায়তত e-office ৰ ব্যৱস্থা কৰা মুখ্যমন্ত্ৰীৰ যি অভিলাষী আঁচনি মই ভাৱো সেইটোত আমি বেছি সকাহ পাম। যান-জঁট দিনক-দিনে যোৰহাটতো বাঢ়িছে। নতুনকৈ ডিব্ৰুগড়ে এটা বোজা পাব। কিছু কাৰ্যালয় যদি যোৰহাটত নিও, এতিয়া আকৌ যোৰহাটতো বোজা হ'ব। মই কিন্তু যোৰহাটক সেই বোজাটো দিব খোজা নাই। এটা সুন্দৰ আৰু শৈক্ষিক পৰিৱেশ থকা যোৰহাটক আকৌ নতুনকৈ যান-জঁটৰ বোজা দিয়াটো মই GAD ৰ মন্ত্ৰী হৈ থাকোতে ভৰা নাই। ধন্যবাদ।

**মাননীয় সভাপতিঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাদেৰক বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** মাননীয় সভানেত্ৰী ডাঙৰীয়ানী, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম নং ৩০১ ৰ অধীনত 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত এটি বাৰ্তৰিৰ প্ৰতি মই মননীয় পেঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো .

টাৰ্ণ এন

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ ক্ৰমশ----মাননীয় সভানেত্ৰী ডাঙৰীয়াণী, কেন্দ্ৰীয় চৰকাৰে ২০০৪ চনৰ ১ জানুৱাৰীৰ পৰা এটা নতুন পেঞ্চন আঁচনি ঘোষণা কৰিছিল। সেই নতুন পেঞ্চন আঁচনি অনুযায়ী ২০০৪ চনৰ ১ জানুৱাৰীৰৰ পাছত যিসকল কৰ্মচাৰী নতুনকৈ নিযুক্তি দিয়া হৈছিল তেওঁলোকৰ ক্ষেত্ৰত এইটো কাৰ্য্যকৰী কৰা হৈছিল আৰু সেই আঁচনিটোৰে ৰাষ্ট্ৰীয় পেঞ্চন চিষ্টেম হিচাপে নামাকৰণ কৰা হৈছিল। যেতিয়া কেন্দ্ৰীয় চৰকাৰে এই নতুন পেঞ্চন আঁচনি ঘোষণা কৰিলে তাৰ পৰৱৰ্তী সময়ত ২০০৫ চনৰ ২ ফেব্ৰুৱাৰীৰ পৰা আমাৰ ৰাজ্যতো এই নতুন পেঞ্চন আঁচনিটো কাৰ্য্যকৰী কৰা হৈছে। ইতিমধ্যে সদৌ অসম কৰ্মচাৰী পৰিষদ, সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থা আৰু শিক্ষক সন্থা সমূহে নতুন পেঞ্চন আঁচনিৰ বিৰূদ্ধে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী গ্ৰহন কৰিছে। আমি যদি চাওঁ পুৰণি যিটো পেঞ্চন আঁচনি আছিল সেই পেঞ্চন আঁচনিত কৰ্মচাৰীসকলে যিটো দৰমহা পাইছিল তাৰ basic ৰ পৰা ৫০ শতাংশ কিন্তু দৰমহাৰ পৰা কোনো ধৰণৰ পইচা কৰ্তন কৰা নাছিল। মূল দৰমহাৰ basic ৰ পৰা ৫০ শতাংশ কাটি তেওঁলোকক এই পেঞ্চনৰ সুবিধাটো দিয়া হৈছিল। পুৰণি পেঞ্চন আঁচনিত GPF ৰ ব্যৱস্থা আছিল, gratuity ৰ ব্যৱস্থা আছিল আৰু চিকিৎসা সেৱাৰো ব্যৱস্থা আছিল। কিন্তু যিটো নতুন পেঞ্চন আঁচনি ঘোষণা কৰিলে তাৰ ক্ষেত্ৰত যিসকল কৰ্মচাৰী আছে তেওঁলোকৰ পৰা প্ৰতিমাহে দৰমহাৰ basic plus DA ৰ পৰা ১০ শতাংশ কৰ্তন কৰা হৈছে। তাৰ বিপৰীতে ৰাজ্য চৰকাৰেও ১৪ শতাংশ দিছে। তাৰমানে মুঠ ২৪ শতাংশ। এই টকাটো তেওঁলোকৰ এটা Pension Fund Registration Authority গঠন কৰি তাত জমা কৰা হৈছে। এতিয়া এই টকাটো NSDL ত তেওঁলোকে বিভিন্ন যিখিনি ফাণ্ড আছে সেইখিনি stock exchange ৰ জৰিয়তে বিনিয়োগ কৰাৰ ব্যৱস্থা লৈছে আৰু যিটো টকা জমা দিয়া হৈছে অৱসৰৰ পাছত তাৰ ৬০ শতাংশ মুকলি কৰি দিয়া হ'ব আৰু ৪০ শতাংশটো বিনিয়োগৰ জৰিয়তে তাৰ লাভাংশৰ পৰা সেই পেঞ্চনটো দিয়া হৈছে। ইয়াত কোনো চিকিৎসা সেৱাৰ ব্যৱস্থা নাই, gratuity ৰ ব্যৱস্থা নাই আৰু GPF ৰো কোনো ব্যৱস্থা নাই। আমি এতিয়া লক্ষ্য কৰিছো যে কৰ্মচাৰী সকলৰ এই যি পেঞ্চন দিয়া হৈছে সেই পেঞ্চনটো ইতিমধ্যে কৰ্মচাৰী সকলে খুব বেছি ৯০০,১০০০ বা ১২০০ টকাকৈ পেঞ্চন পাবলৈ সক্ষম হৈছে। গতিকে মই আশা ৰাখিছো যে কৰ্মচাৰী সকলে যিটো নতুন পেঞ্চন সেইটো বাতিল কৰি পুৰণি পেঞ্চনটো বাহাল ৰখাৰ ক্ষেত্ৰত দাবী জনাই আহিছে। মইও ৰাজ্য চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে এই ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰে বিবেচনা কৰিব পাৰে নেকি? যদি বিবেচনা কৰিব পাৰে তেনেহ'লে নিশ্চয় কৰ্মচাৰী সকল উপকৃত হ'ব আৰু যদি নহয় তেন্তে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে যিসকলে এতিয়া পেঞ্চন পাব তেওঁলোকক যদি আমি ২০০৫ চনৰ পৰা ধৰো তেতিয়াহ'লে এতিয়া ১৯ বছৰমান হ'ব। আমি যদি এটা নিৰ্দ্দিষ্ট সময় বান্ধি দিওঁ যে যিসকলে ২০৩৫ চনৰ ভিতৰত অৱসৰ গ্ৰহন কৰিব সেইসকলক যদি এটা cut off

year ধৰি আমি কিবা compensate কৰিব পাৰো তেতিয়া কৰ্মচাৰীসকল উপকৃত হ'ব।২০৩৫ চনৰ পাছত যিসকলে অৱসৰ গ্ৰহন কৰিব সেইসকলৰ যিহেতু অৱসৰ ল'বলৈ দীঘলীয়া সময় আছে আৰু দৰমহাটো যিহেতু মাজে মাজে বৃদ্ধি হয়, তেতিয়াহ'লে নিশ্চয় তেওঁলোকৰ পেঞ্চন হয়তো বৃদ্ধি হ'ব পাৰে। কিন্তু যিসকলে কম সময়ত অৱসৰ ল'ব সেইসকলৰ ক্ষেত্ৰত যদি এটা cut off year ধৰি আমি কিবা compensate কৰিব পাৰো তেতিয়াহ'লে মই ভাৱো কৰ্মচাৰীসকল উপকৃত হ'ব। সেইটো মানে নে নামানে মই নাজানো, প্ৰয়োজন হ'লে চৰকাৰে কৰ্মচাৰী পৰিষদ বা বিভিন্ন সন্থাৰ লগত আলোচনা কৰি যদি তেনেকুৱা ধৰণৰ এটা বিকল্প ব্যৱস্থা কৰিব পাৰে তেতিয়া নিশ্চয় ভাল হ'ব। এই কথাখিনি মই মাননীয় পেঞ্চন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে ব্যৱস্থা কৰিবৰ কাৰণে মই অনুৰোধ জনালো।

(Hon'ble Deputy Speaker on the chair)

মাননীয় উপাধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়া।

শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে NPS ৰ সম্পৰ্কে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। সনামনীয় উপাধ্যক্ষ ডাঙৰীয়াৰ যোগেদি মই মাননীয় সদস্য গৰাকীক জনাব খোজো যে ভাৰত চৰকাৰৰ নতুন পেঞ্চন যোজনাৰ আৰ্হিত অসম চৰকাৰে ইংৰাজী ২০০৫ চনৰ পৰা নতুন পেঞ্চন আঁচনি ৰূপায়ণ কৰি আহিছে। তদুপৰি পুৰণা পেঞ্চন আঁচনিৰ আৰ্হিত নতুন পেঞ্চন আঁচনিৰ অধিনস্থ কৰ্মচাৰী সকললৈও gratuity প্ৰদানৰ ব্যৱস্থা কৰিছে। মই যিহেতু চৰকাৰী তথ্যমতে কৈছো, গতিকে মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে যে নতুন কৰ্মচাৰী সকলৰ gratuity ৰ ব্যৱস্থা নাই সেইটো হয়তো তেখেতক যিজনে brief কৰিছে তেওঁ ভুলকৈ কৰিছে। বিভাগে মোক জনোৱামতে পুৰণি পেঞ্চন আঁচনিৰ আৰ্হিত নতুন পেঞ্চন আঁচনিৰ অধীনস্থ কৰ্মচাৰী সকললৈও gratuity প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

ইয়াৰ উপৰিও নতুন পেঞ্চন আঁচনিৰ অধীনত যদি চাকৰিকালত মৃত্যুবৰণ কৰে তেতিয়া তেওঁলোকৰ পৰিয়াললৈ compensionate family pension ব্যৱস্থা কৰা হৈছে। এজন ব্যক্তি যদি কৰ্মৰত অৱস্থাত মৃত্যুমুখত পৰে তেতিয়া তেখেতৰ পৰিয়ালৰ কোনেও চাকৰি নাপায়। কিন্তু তেখেতৰ যিমান দিনলৈকে চাকৰি থাকে তেতিয়ালৈকে তেওঁৰ পৰিয়ালে সিমানকৈ দৰমহা প্ৰতিমাহে পাই থাকিব। ধৰি ললো মানুহজনৰ আৰু ২০ বছৰ চাকৰি আছিল আৰু তেখেতৰ মৃত্যু হ'ল, তেখেতৰ next of kin -----

টাৰ্ণ ও

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী** ঃ ...ক্ৰমশ... ধৰি ললো মানুহ গৰাকীৰ আৰু ২০ বছৰ চাকৰি আছিল, তেখেতৰ মৃত্যু হ'লে তেখেতৰ পৰিয়ালে সেই ২০ বছৰৰ প্ৰত্যেক মাহৰ দৰমহা লাভ কৰি থাকিব। New Pension আঁচনিৰ অধিনস্থ বিষয়া-কৰ্মচাৰীৰ মূল বেতন Basic Pay আৰু D.A, D.A 10% ধন পেঞ্চন আঁচনি অধীনত প্ৰতি মাহত কৰ্তন কৰি বিষয়া-কৰ্মচাৰী সকলৰ নিজা PPAN Account ত জমা কৰা আৰু চৰকাৰে সংশ্লিষ্ট কৰ্মচাৰী জনৰ বাবে ১০ শতাংশ ধন জমা কৰে তেওঁৰ PPAN Accountত। অৱসৰৰ সময়ত কৰ্মচাৰী আৰু চৰকাৰৰ মাজত চৰকাৰৰ জমা ধনৰ ওপৰত বিভিন্ন Pension scheme ত নিবেশ হৈ থকা নিবেশ মূল্য ধৰি লওক

ইনভেষ্টমেন্টৰ ওপৰত কৰ্মচাৰী জনে 60% এক কালীন অংশ লামচাম উঠোৱাৰ পিছত বাকী ৰৈ যোৱা ৪০ শতাংশ বীমা সংস্থাত নিবেশ কৰিলে তাৰ পৰা কৰ্মচাৰী এজনে মাহেকীয়া Pension লাভ কৰে। সেয়েহে New Pension আঁচনিৰ অধিনস্থ কৰ্মচাৰী এজনে চাকৰি কাল ১০ বছৰৰ কম হলেও পেঞ্চন লাভ কৰে। নতুন পেঞ্চন আঁচনিৰ অধিনস্থ কৰ্মচাৰী এজনে তেওঁৰ পাব লগীয়া পেঞ্চন তেওঁলোকৰ জমা ধনৰ ওপৰত নিৰ্ভৰ কৰে আৰু তেওঁলোকৰ জমা ধনৰ পৰিমান তেওঁলোকৰ দৰমহাৰ পৰিমাণ আৰু চাকৰিৰ দৈৰ্ঘ্যৰ ওপৰত নিৰ্ভৰ কৰে। পুৰণি পেঞ্চন আঁচনিৰ অন্তৰ্গত অৱসৰ প্ৰাপ্ত কৰ্মচাৰী নূন্যতম পেঞ্চন তেওঁ অন্তিম দৰমহাৰ ওপৰত নিৰ্ভৰ কৰে। এক মাহত এজনে পুৰণি পেঞ্চনত দৰমহাৰ ৫০ শতাংশ পেঞ্চন লাভ কৰে। কিন্তু নতুন পেঞ্চন অধিনস্থ বিষয়া-কৰ্মচাৰী সকলে অৱসৰৰ সময়ত পি আই এ এন একাউন্টত খুদসহ জমা হোৱা ধন ৬০ শতাংশ এককালীন ভাৱে উঠোৱাৰ পিছত বাকী ৰৈ যোৱা ধনৰ ৪০ শতাংশ বিমা সংস্থাত নিয়োগ বা বিনিয়োগ বিনিময় কৰা সেই ধনৰ ওপৰত প্ৰত্যেক মাহে পেঞ্চন লাভ কৰে। অধ্যক্ষ ডাঙৰীয়া, আচলতে অলপ confusion এটা আছে। আমাৰ 2005 ত NPS start হৈছিল, আজি 19 years হ'ল কিন্তু আমি ভাৱো এতিয়া কবলৈ দিগদাৰ, কিন্তু যি সকলে ৩০/৩২ বছৰ চাকৰি কৰিব তেওঁলোকে হয়তো যথেষ্ট সংখ্যক pension লাভ কৰিব বুলি ভবা হয়। সদস্য গৰাকীয়ে যিটো প্ৰশ্ন আনিছে, তেখেতে এইটো কথা জানে তেখেতে কৈছে কিন্তু যি সকলে হ্ৰস্যকালীন সময়ৰ কাৰণে চাকৰিত যোগদান কৰিছে তেওঁলোকৰ হয়তো কিছু অসুবিধা হৈছে, কিন্তু এই বিষয়ে বিত্ত বিভাগে আমাক জনোৱা মতে12.06.2022 ইং তাৰিখে মাননীয়া বিত্তমন্ত্ৰী মহোদয়াৰ লগত সদৌ অসম এন পি এচ কৰ্মচাৰী সন্থাৰ এখন সভা অনুষ্ঠিত হ'ল। এই সভাত বিত্তমন্ত্ৰী মহোদয়াই তেওঁলোকক জনাই যে এই বিষয়ে আমাৰ চৰকাৰে পৰীক্ষা-নিৰীক্ষা কৰিব আৰু তেওঁলোকক ৰাজ্যৰ সৰ্বাউন্নয়নৰ স্বাৰ্থত এনেধৰণৰ আন্দোলনৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনাই। গতিকে তেখেতে যিটো প্ৰশ্ন অৱতৰণা কৰিছে আমাৰ চৰকাৰে সেই প্ৰশ্নটো অৱগত আৰু আমি serious. সেই কাৰণে মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীই NPS কৰ্মচাৰী সন্থাৰ লগত মিলিত হৈ আলোচনা হৈছে। পৰৱৰ্তী সময়ত নিশ্চয়কৈ আলোচনা কৰাৰ স্থল থাকিব। এই আলোচনাৰ মধ্যমেৰে কিবা এটা সমস্যাৰ সমধান হ'ব। গতিকে এই বিষয়ে সদনত মই আস্বস্থ্য কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ধৰ্মেশ্বৰ কোৰৰ।

**শ্ৰীধৰ্মেশ্বৰ কোৰৰ ঃ** উপাধ্যক্ষ মহোদয়, আজি অসম বিধান সভা নিয়মানুসৰী ৩০১ নিয়মৰ অধীনত বিশেষ প্ৰসঙ্গত জলবায়ুৰ পৰিৱৰ্তনৰ ভয়বহতা আৰু অসমৰ কৃষি খণ্ডত ইয়াৰ প্ৰভাৱ উত্থাপন কৰিব দিয়াৰ কাৰণে মই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। যিহেতু অসমত অস্বাভাৱিক জলবায়ু পৰিৱৰ্তনে অসমৰ জৈৱ বৈচিত্ৰৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। জলবায়ু পৰিৱৰ্তনৰ এক প্ৰাকৃতিক প্ৰত্যাহ্বান যে সৃষ্টি হ'ব সেয়া ধ্ৰুৱ সত্য। ভাৰতত বতৰ বিজ্ঞান কেন্দ্ৰই অলপতে এটা তথ্য প্ৰকাশ কৰিছে যে জলবায়ু পৰিৱৰ্তনৰ ভয়বহতাই অতিমাত্ৰা পদুষিত ৰাজ্যৰ তালিকাত অসমৰ নাম সন্নিবিষ্ঠ কৰিছে। স্বাভাবিকতে ই এটা উদ্যেগজনক খবৰ। গোৱালপাৰা, গোলাঘাট, মৰিগাওঁ, নগাঁও, কাৰ্বিআংলং, শোণিতপুৰ, বাক্সা, মাজুলী, চৰাইডেউ, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়,লখিমপুৰ, কামৰূপ, কোক্ৰাঝাৰ আৰু তিনিচুকীয়া জিলাৰ প্ৰায় অসমৰ ১৫ খন জিলাত জলবায়ু পৰিৱৰ্তনৰ ভয়বহতাৰ কবলত পৰিব বুলি আশাংকা ব্যক্ত কৰিছে। World Meteoroligal Organization Provisional State of the Global Climate, 2022 শিক্ষক গৱেষণা মূলক প্ৰতিবেদনত অসমত বৰষুণৰ পৰিমাণ ৯৭ শতাংশ হ্ৰাস পাইছে বুলি এক ভয়ংকৰ তথ্য প্ৰকাশ

হৈছে। গুৱাহাটী আই আই টিৰ প্ৰতিবেদনতো সেই একে ধৰণৰ তথ্য প্ৰকাশ পাইছে। এই তথ্য সমূহ যদি শুদ্ধ বিবেচিত হয় তেন্তে অসমত সাংঘাটিক বেয়া প্ৰভাৱ পৰিব। কিয়নো ৰাজ্য খনত ৭০ শতাংশ কৃষিজীৱি লোক আছে। অসমত এই তথ্য সমূহ নজৰিশুদ্ধ বিবেচিত হয় তেন্তে অসমৰ কৃষি খণ্ডত সাংঘাটিক বেয়া প্ৰভাৱ পৰিব। কিয়নো ৰাজ্য খনত ৭০ শতাংশ কৃষিজীৱি । অসমত জুন মাহৰ পৰা চেপ্তেম্বৰ মাহলৈকে হোৱা বৰষুণৰ ফলত অসমৰ প্ৰাকৃতিক পৰিৱেশ প্ৰভাৱিত হয়। যদি এই সময়ছোৱাত বৰষুণৰ পৰিমাণ হ্ৰাস পাই তেন্তে অসমৰ ধান খেতিত ব্যপক ক্ষতি হোৱাৰ সম্ভৱণা আছে। জৈৱ বৈচিত্ৰৰ ওপৰত সাংঘাটিক বেয়া প্ৰভাৱ পৰিব। জলসিঞ্চনৰ ব্যৱস্থা নথকা ৰবিশস্যৰ ওপৰতো কু প্ৰভাৱ পৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, মানহ ৰাষ্ট্ৰীয় উদ্যানকে আদি কৰি সকলো বনাঞ্চলত শংকত নামি আহিছে। জুন মাহৰ পৰা চেপ্তেম্বৰ মাহলৈ হোৱা বৰষুণে অসমত ভূগৰ্ভৰ স্থুল জল স্থলক প্ৰভাৱিত কৰিছে। গতিকে জলবায়ু পৰিৱৰ্তনৰ ফলত অসমত প্ৰাকৃতিক পৰিৱেশ সম্পূৰ্ণ বিনষ্ট কৰা আশাংকা আছে। জলবায়ু পৰিৱৰ্তনৰ ফলত গোলকীয়া উষ্ণতা বৃদ্ধি, অতি বৃষ্টি, অনাবৃষ্টি হথাতে অতিপ্ৰাত শীতৰ প্ৰকোপ, খৰালী দিনতো নদীৰ পানী হঠাতে দাঠ ঘোলা পানী হৈ উঠা শৰাং কাল অতি দীঘল হোৱা, গীষ্মকালত প্ৰচণ্ড গৰম, চৰ্মজনিত ৰোগৰ প্ৰকোপ বৃদ্ধি ইত্যাদি নানা প্ৰত্যাহ্বানৰ সন্মুখিন হ'ব লগীয়া হৈছে। অসমৰ জলবায়ুৰ নাটকীয় পৰিৱৰ্তনৰ মুখ্যকাৰণ হিচাপে বায়ু প্ৰদূষণ, জল প্ৰদূষণ, নদীত কীতনাশক ঔষধ দি মাছ নিধন প্লষ্টিক জাতীয় খামগ্ৰীৰ অগাধ ব্যৱহাৰ, আনহাতে বনাঞ্চল বে-দখল, ধ্বংস কৰা ৰেডিঅ'চন, পাহাৰৰ মাটি খনন ইত্যাদি মানৱ সৃষ্ট কাৰক বোৰক পিড়িত কৰিব পাৰি। মূলত প্ৰকৃতিক ধ্বংস কৰাৰ ফলত অসমত এনে নাটকীয় জলবায়ু পৰিৱৰ্তণে দেখা দিছে। অসমৰ বাৰ্ষিক জলবায়ুৰ ৬ টা ঋতু বিৰাজমান বুলি আমি সকলোৱে জানো। গীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত , বসন্ত। এই ঋতু প্ৰাকৃতিক ভাৱে নিৰ্দ্ধাৰিত সময়ৰ পূৰ্বতে আমি যেনেদৰে আমাৰ পৰিৱেশটো চাই নিৰ্দ্ধাৰণ কৰিব পাৰিছিলো এতিয়া তেনেকৈ কৰাতো জটিল হৈ পৰিছে। কাৰণ জলবায়ু অস্বাভাৱিক পৰিৱৰ্তনৰ ফলত ৬ ঋতুৰ সুকীয়া অনুভৱ এতিয়া প্ৰকৃতিত দেখা পোৱা নাযায়। অসমত কৃষকৰ ঋতু কালীন কৃষি কৰ্ম কৰি জীৱন নিৰ্বাহ কৰি অহা যি পৰম্পৰা আছিল তাতো এতিয়া অসুবিধাৰ সৃষ্টি হৈছে। কেতিয়াবা গীষ্ম-বৰ্ষা কালত অনাবৃষ্টি, কেতিয়া শৰৎ কালতো বানপানী, শীত কালত অতিপাত খৰাং, বসন্ত কালত পলমকৈ গছৰ কুঁহিপাত মেলা ইত্যাদি প্ৰাকৃতিক বিসংগতি সমূহ আমি সকলোৱে দেখিবলৈ পাইছো। অসম খন যদি জলবায়ু পৰিৱৰ্তনৰ ভয়বহতাৰ কবলত পৰে তেন্তে প্ৰধান বা প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি জীৱন নিৰ্বাহ কৰা কেত বোৰ আদিম খীলঞ্জীয়া জনগোষ্ঠিয়ে চৰম দূৰ্যোগৰ সন্মূখিন হোৱা সম্ভৱনা আছে। শস্য-মস্য, বোনৰীয়া শাক-পাঁচলি প্ৰাকৃতিক পৰিৱেশৰ পৰা সংগ্ৰহ কৰি খাই জীৱন নিৰ্বাহ কৰাৰ সময়ত বসবাস কৰা জনগোষ্ঠী সমূহক অভাৱনীয়া চৰম সংকতে দেখা দিব। অসমৰ নদ-নদী, খাল-বিল, পুখুৰী-জলাশয় আদি অতি দ্ৰুতগতিত থলুৱা মাছৰ সংখ্যা কমি আহিছে। ফলত জলপখীবোৰ খাদ্য সংকতত পৰি নিশেষ হোৱাৰ পথত উপনিত হৈছে। হাবিত বোনৰীয়া মৌ-মাখি নোহোৱা হ'ল ঠিক তেনেদৰে অসমত বহুত ঠাইত ঘৰচিকা চৰাই, কুকুৰা চৰাই, ঢোৰাকাউৰী, গাঁৱত সন্ধিয়া বাত-পথত ওলোৱা জোনাকী পৰুৱা আমাৰ চকুৰ সন্মূখতে নাইকীয়া হৈ গ'ল। বিশেষকৈ জলবায়ু পৰিৱৰ্তনৰ ফলত অসমৰ খেতিয়ক সকল অতিকৈ ক্ষতিগ্ৰস্থ হৈছে। অৰ্থাৎ অসমৰ জলবায়ুৰ নাটকীয়া পৰিৱৰ্তন হ'ল। এনে সুন্দৰ বাতাবৰণৰ বিপৰীতে অসমৰ আকাশ-বতাহত দাঠ ধূলি-ঢোৱাই চানি ধৰিছে। জলবায়ুৰ পৰিৱৰ্তনৰ ভয়বহতাৰ পৰা হাত সাৰিবলৈ আমাৰ আটাইতকৈ প্ৰয়োজন পৰিৱেশ সচেতনতা। জলবায়ু পৰিৱৰ্তনৰ ভয়বহতাৰ বিষয়ে জনোৱা,

সচেতনতা বৃদ্ধি কৰিব লাগে। গছ-গছনি কতা, বনাঞ্চল ধ্বংস কৰা, পাহাৰৰ মাটি কতা, প্লাষ্টিক মুক্ত পৰিৱেশ কৰা, নদী সমূহক প্ৰদূষণৰ পৰা বচাই ৰখাৰ ক্ষেত্ৰত চৰকাৰে বিহৎ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন আছে। অন্যহাতে চৰকাৰে বনাঞ্চল সমূহ বে-দখল মুক্ত কৰি নতুন নতুন বনাঞ্চল সৃষ্টি কৰিব লাগিব। পূৰ্বৰ দৰে নিম্নগামী জলস্থৰ উৰ্দ্ধগামী কৰিবলৈ চৰকাৰে বিজ্ঞান সন্মত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত মই ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক বিশেষ ভাৱে ধন্যবাদ দিব লাগিব।

টাৰ্ণ পি

**শ্ৰী ধৰমেশ্বৰ কোঁৱৰ, চৰাইদেউ ঃ** ... ক্ৰমশ..

মাননীয় উপাধ্যক্ষ মহোদয়, জলবায়ু পৰিবৰ্তনৰ নিৰাপত্তা কৰাটো আমাৰ আটাইতকৈ প্ৰয়োজন হৈছে। জলবায়ু পৰিবৰ্তন ভয়া**বহ**তাৰ বিষয়ে জনসাধাৰণ সজাগতা বঢ়াব লাগে। গছ-গছনি কটা, বনাঞ্চল ধংস, পাহাৰ মাটি কটা, প্লাষ্টিক মুক্ত কৰিব পৰা নদী সমূহক প্ৰদুষণৰ পৰা বছাইৰখাৰ ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন আছে। অন্যহাতে চৰকাৰে বনাঞ্চল সমূহ বেদখল মুক্ত কৰি নতুন নতুন বনাঞ্চল সৃষ্টি কৰা মনোনিবেশ কৰিব লাগিব। ভূ-গৰ্ভ নিম্নগামী, জলস্তৰ উৰ্দ্ধগামী কৰিব লাগিব, চৰকাৰে বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ইয়াৰ ক্ষেত্ৰত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক বিশেষভাৱে ধন্যবাদ দিব লাগিব, কিয়নো তেখেতে অমৃত সৰোবৰ আঁচনিৰ জৰিয়তে প্ৰতিত মাটিত পুখুৰী খাণ্ডি জলৰ সংৰক্ষণ কৰাৰ কাম আৰম্ভ কৰিছে। মাটিৰ ওপৰৰ ভাগত জল সংৰক্ষণ কৰি, ভূ গৰ্ভৰ জল স্তৰ ধৰি ৰখাৰ ভালেখিনি সম্ভাৱনা আছে। পৃথিৱী উপৰি ভাগত পানী সঞ্চিত হৈ থাকিলেহে জলস্তৰ উৰ্দ্ধগামী হ'ব। প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ এনে দূৰৰ্দশী পদক্ষেপ অতি সময় উপযোগী বুলি মই বিবেচনা কৰিছো। অসমত জলবায়ু পৰিবৰ্তনৰ ফলত যাতে বিপদ নাহে তাৰ কাৰণে আমাৰ চৰকাৰে যদি এনে দৰে ব্যৱস্থা গ্ৰহণ কৰে তেনেহ'লে ভাল হ'ব বুলি মই আশা ৰাখিছো। এইখিনি ক'ব দিয়াৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী জল সম্পদ ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ এটা গুৰুত্বপূৰ্ণ বিষয় "জলবায়ু পৰিবৰ্তন ভয়াবহতা আৰু অসমৰ কৃষি খণ্ডত ইয়াৰ প্ৰভাৱ" এই কথাখিনি আমাৰ সন্মানীয় বিধায়ক ধৰমেশ্বৰ কোঁৱৰ ডাঙৰীয়াই উত্থাপন কৰিছে, মই তেখেতক ধন্যবাদ জনাইছো। আজিৰ সময়ছোৱাত আমি সকলোৱে জানিছো আৰু অনুভৱ কৰিছো যে জলবায়ু পৰিবৰ্তনৰ এটা গোলকীয় পৰিঘটনা। এই জলবায়ুৰ পৰিবৰ্তনৰ সৈতে সংগতি থকা সেউজ গৃহ প্ৰভাৱ, গোলকীয় উষ্ণতা বৃদ্ধি আদি নতুন কথা নহয়। স্বাভাৱিক কাৰণটো ইয়াৰ উপস্থিতিৰ বাবে পৃথিৱীৰ বায়ুমণ্ডল গৰম হৈ থাকে। আমাৰ বায়ুমণ্ডলৰ যিটো তলৰ স্বৰ কাৰ্বনডাই oxide, methane, nitrous oxide, ozone এই গোটেখিনিয়ে পৰিবেশৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। এনে কিছু বিশেষ প্ৰভাৱ হৈছে যে গড় উষ্ণতা অধিক হৈছে, দীৰ্ঘদিনীয়া খৰাং হৈছে, তাৰ ওপৰিও জলপৃষ্ঠ বৃদ্ধি বা হীমপ্ৰবাহ আদি এনেধৰণৰ সমস্যা সমূহ আমি দেখিবলৈ পাইছো। আমি যদি চাওঁ ১৯০১ চনৰ পৰা ২০২০ চনৰ সময়ছোৱাত গোলকীয় উষ্ণতা প্ৰায় ১ডিগ্ৰী ছেলচিয়াছ বাঢ়িছে। ইয়াৰে ১৯৯৩ চনৰ পৰা বৰ্তমানলৈকে সাগৰ পৃষ্ঠাৰ উচ্চতাতো বাঢ়িছে 1.7 mm per year। ১৯৮০ চনৰ

পৰা বিশ্বৰ ৩০ টা হীম প্ৰৱাহৰ ৬০ ফুটৰ অধিক ঠাই সংকোচিত হৈছে। ১৯৫৮ চনৰ পৰা বায়ুমণ্ডলত কাৰ্বনডাই oxide ৰ পৰিমান ২৫ শতাংশ বৃদ্ধি পাইছে। এই গোটেইখিনিৰ প্ৰভাৱত ১৮৯৬ চনতে এই কথাবিলাক ছুইডেনৰ পদাৰ্থ বিজ্ঞানী সেউজগৃহ গেছ আৰু Global Warming, এই কথাবিলাকৰ কথা আৰম্ভ হৈছিল। আমাৰ মাজত এইবিলাক এতিয়া জনপ্ৰিয় হৈ আছে। এই কথা সকলোৰে আমি আজিৰ দিনত স্বাভাৱিকভাৱে জড়িত হৈ গৈছো। কিন্তু ইয়াৰ পিছত আমি দেখিলো বিশেষকৈ ১৯৯৫ চনৰ পৰা ২০২৩ চনলৈকে যিহেতু এতিয়া CoP ২৮ হ'ল, শেহতীয়া ভাৱে CoP 26. CoP 27, CoP 28, আমাৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত লৈ বিশ্বৰ গোটেই global warming বা climate change ৰ ওপৰত এটা বিশেষ ভুমিকা ভাৰতবৰ্ষই লৈছে।

তাৰ পিছত আমি দেখিলো যে G20 শেহতীয়া ভাৱে ভাৰতবৰ্ষত অনুষ্ঠিত হৈছিল, তাতো প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ সভাপতিত্বত হৈছিল আৰু তাত যেনেকৈ জীৱ বৈচিত্ৰ সংৰক্ষণ, নিল অৰ্থনীতি, জলসম্পদৰ ব্যৱস্থাপনা আৰু বৃত্তাকাৰৰ অৰ্থনীতি বা এনেধৰণৰ কিছুমান সিদ্ধান্ত লৈছিল। শেহতীয়াকৈ জলবায়ু পৰিবৰ্তনত বিশেষকৈ সদস্য ডাঙৰীয়াই কোৱাৰ দৰে বিশেষকৈ কৃষি খণ্ড, জৈৱ বৈচিত্ৰ, জলসম্পদ আৰু পৰিবেশত যিবিলাক প্ৰভাৱ হৈছে, এই প্ৰভাৱ পেলোৱাৰ ক্ষেত্ৰত আমি পৰিলক্ষিত হৈছো আৰু অসমৰ বিশেষকৈ আমি দেখিবলৈ পাইছো যে কেইখনমান research paper ওলাইছে আৰু research paper কেইখনত দেখিছো যে ৰাজ্যৰ কিছু অঞ্চল কৃষিজাত দ্ৰব্য উৎপাদনত বাধাৰ সৃষ্টি হৈছে। বিশেষকৈ বাধাৰ সৃষ্টি হৈছে আমাৰ কাছাৰ, ধুবুৰী, গোৱালপাৰা, গোলাঘাট, যোৰহাট, কাৰ্বি আংলং, কোকৰাঝাৰ, লক্ষিমপুৰ, মৰিগাঁও, নলবাৰী, শিৱসাগৰ, আৰু শোণিতপুৰ জিলাত খৰাং সদৃশ পৰিস্থিতি দেখা গৈছিল ২০০৯ -২০১১ চনৰ সময়চোৱাত অসমৰ ১০-১৪ খন জিলাত।

কৃষিখণ্ডত এতিয়া কিছুমান research কৰি এনেকুৱা কিছু ভেৰাইটি উলিয়াছে, যিকেইটা ভেৰাইটিয়ে ইয়াৰ যিটো stress সেইটো resist কৰিব পাৰে। গতিকে climate change ৰ কথাত যিখিনি প্ৰভাৱিত হৈছে তাৰ বিপৰীতে এই stress tolerance rice varity ইতিমধ্যে উলিয়াছে আৰু আৰম্ভ কৰা হৈছে আৰু কৃষি ক্ষেত্ৰত ওপৰত যিটো প্ৰভাৱ হৈছে, সেইখিনি যাতে সমাধান কৰিব পাৰো।

ঠিক তেনেধৰণে পৰিবহনৰ ক্ষেত্ৰতো electrical bus মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ২০০ খন কৰিছে। ইয়াৰ পিছৰ বছৰৰ কাৰণে এনেধৰণে ব্যৱস্থা আৰু লৈছে। আমি climate change ৰ বিভাগ হিচাপে কেইটামান কাম আমিও হাতত লৈছো, যে মুখ্যমন্ত্ৰীৰ জলবায়ু সহনশীল গাঁও ফেল'শ্বিপ আঁচনি। আমি যিবিলাক post graduate student বিশেষকৈ environmental science বা Biology বা এনেধৰণৰ যিখিনি আছে, তেওঁলোকৰ ভিতৰত ১০০ জন ছাত্ৰ-ছাত্ৰীক আমি ফেল'শ্বিপ দিছো আৰু তেওঁলোকৰ হাতত ১০০খন অসমৰ গাঁও আমি দিছো, তেওঁলোকে গোটেইটো পৰীক্ষা কৰি তাত climate resilience village কৰিবলৈ কি কৰিব লাগিব। তাত কি কি কথা তেওঁলোকে কৰি আহিব পাৰে, কি কি কথা তেওঁলোকে চৰকাৰক পৰামৰ্শ দিব পাৰে, তাৰ কাৰণে তেওঁলোকে field ত কাম কৰি আছে।

ঠিক তেনেধৰণে আমাৰ বাজেটত দেখিছে Green Innovation Fund, আমি যোৱাবাৰ green বাজেট science & technology আৰু climate change ৰ ফালৰ পৰা দিছো আৰু এইবাৰো থাকিব। এই কথাখিনি আমি সেই ধৰণে আগবাঢ়িছো যাতে যিবিলাক

বিভাগে এই কথাটো কৰিবলৈ যায়,সেইটোত আমি অগ্ৰাধিকাৰ দি এই Green Innovation Fund, জলবায়ুৰ পৰিবৰ্তন সম্পৰ্কে আমাৰ সজাগতাটো বিভিন্ন ধৰণে কৰি আছো। এতিয়া মুখ্যমন্ত্ৰী বিজ্ঞান প্ৰতিভা সন্ধান, এই মুখ্যমন্ত্ৰী বিজ্ঞান প্ৰতিভা সন্ধানৰ ক্ষেত্ৰত .

টাৰ্ণ কিউ

**শ্ৰীকেশৱ মহন্ত, মাননীয় স্বাস্থ্য মন্ত্ৰী ঃ** ..................................এতিয়া আমি মাননীয় মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান নামৰ এটা স্কীম লৈছো। মাননীয় মুখ্যমন্ত্ৰী বিজ্ঞান প্ৰতিভা সন্ধানৰ ক্ষেত্ৰত আমি একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এটা পৰীক্ষা পাতিছিলো। এই পৰীক্ষাটো আমাৰ চৰকাৰ, আমাৰ বিভাগে পতা নাই। এই পৰীক্ষাটো আই আই টি ক পাতিবলৈ দিয়া হৈছিল। ইয়াত ৫৪২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰিছিল আৰু তাৰ ভিতৰত ১১০ গৰাকীক তেওঁলোক বাচনি কৰিলে। এই ১১০ গৰাকীক ৫ দিন ধৰি আমি আই আই টি ত কেম্প কৰাই আছো। আই আই টি ত তেওঁলোকক যিখিনি কথা শিকাই-বুজাই ল'ব লাগে সেইখিনি কাম ইতিমধ্যে শেষ হ'ল। তাৰপিছত বাংগালোৰত তেওঁলোকক ৫ দিন ৰখা হ'ব আৰু বাংগালোৰৰ পিছত তাৰ পৰা ৫ গৰাকীক বাচনি কৰি ভাৰতবৰ্ষৰ বাহিৰলৈ পঠিয়াম। এই যিখিনি ছাত্ৰ-ছাত্ৰী তেওঁলোক অতি চোকা বুদ্ধিৰ আৰু তেওঁলোকে মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধানী যিটো আঁচনি এই আঁচনিৰ লগত জড়িত কৰি অনা হৈছে। আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁলোকৰ লগত interaction কৰিব আৰু তেওঁলোকে যিখিনি কাম কৰিলে তাৰ কাৰণে তেওঁলোকক certificate দিব। আমি এইধৰণে ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা আৰম্ভ কৰিছো। এই যিটো সজাগতা সেইটো অলপ বেলেগ ধৰণে আমি আগবঢ়াই নিবলৈ চেষ্টা কৰিছো। ১০০ গৰাকী fellowship ক আমি দিছো আৰু গাঁৱে গাঁৱে ঘুৰিছো। তেওঁলোকে কামো কৰিব আৰু সজাগতা ও হ'ব। ছাত্ৰ-ছাত্ৰীক আমি এনেধৰণে আনিছো তেওঁলোক নিজেও সজাগ হ'ব আনকো সজাগ কৰিবলৈ প্ৰস্তুত হ'ব। ঠিক তেনেদৰে কাজিৰঙা- মানস অঞ্চলত আমি জলবায়ু সহনশীলতা বৃদ্ধিৰ বাবে কাৰ্য্যসূচী লৈছো। জনসাধাৰণৰ বাবে মিশ্যন লাইভ লৈছো। আমি অমৃত কালত ৭৫ টা একশ্যন দি এই মিশ্যন লাইভ আৰম্ভ কৰিছিলো। আমাৰ ইয়াত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উদ্বোধন কৰিছে আৰু ভাৰতবৰ্ষত এইটো মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে উদ্বোধন কৰিছিল। মিশ্যন লাইভ আমি প্ৰতিটো ব্লকলৈ লৈ গৈছো আৰু ৭ দিনীয়া কাৰ্য্যসূচীৰে আৰম্ভ কৰিছো। সজাগতাৰ দিশত যিটো কৈছে সেইক্ষেত্ৰত আমি অতি উৎসাহেৰে এই কামখিনি আগবঢ়াই নিছো। জলবায়ু সহনশীল পৰম্পৰাগত পদ্ধতি চিনাক্তকৰণ আৰু বৈজ্ঞানিক বিশ্লেষণৰ ক্ষেত্ৰতো আমি বহুখিনি ব্যৱস্থা গ্ৰহণ কৰিছো আৰু আমাৰ জলবায়ু কোষৰ জৰিয়তে সমগ্ৰ অসমত জলবায়ু পৰিবৰ্তন, প্ৰভাৱ, অভিযোজন, প্ৰশমণ আৰু সহনশীল বিষয়ক নীতি কাৰ্য্যপৰিকল্পনা আৰু গৱেষণাৰ কৰ্ম বিস্তাৰিত কৰা হয়। এই কথাখিনি আমি দেখিছো। এতিয়া চৰকাৰে এদিনত ১ কোটি অমৃত বৃক্ষ ৰোপণ কৰিছে। তাৰউপৰিও বহুত কাৰ্য্যসূচী হৈছে। আমি Science and Technology বা climate change ৰ পৰাও আমি আগৰ বছৰ ঠিক কৰিছিলো যে প্ৰত্যেকটো চৰকাৰী অফিচত চৰকাৰী ব্যৱস্থাৰে বৃক্ষৰোপণ হৈছিল। এতিয়া অমৃত সৰোবৰ। ঠিক তেনেধৰণে কিছু কিছু চৰকাৰৰ আঁচনিৰ যোগেদি এই কামখিনি কৰা হৈছে যাতে **কাৰ্বন জগদীকৰণৰ** ক্ষেত্ৰত আমি সকলোকে উৎসাহিত কৰিব পাৰো। ইয়াত যাতে কাৰ্বন ষ্টোৰটো বাঢ়িব পাৰে। ঠিক তেনেধৰণে বায়ু প্ৰদুষণৰ ক্ষেত্ৰতো যথেষ্ট ব্যৱস্থা গ্ৰহণ

কৰা হৈছে। ইয়াৰ উপৰিও জলসম্পদ বিভাগে জল প্ৰদূষণৰ ক্ষেত্ৰত বহুখিনি কাম হাতত লৈছে। ইতিমধ্যে জলসম্পদ বিভাগে কিছু ভূমিত যেনে - waste land ত মাটি ঠিক কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ যিখিনি নদী আছে যেনে - ভৰলু নৈ, বৰচলা, মৰা ভৰলী, শিলসাকো, দ্বীপৰ বিল, সৰুচলা বিল আদি বোৰ যিদৰে প্ৰদূষণৰ গৰাহত পৰিছে সেইবোৰ প্ৰদূষণ মুক্ত কৰবৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমি দেখিছো যে Supreme Court য়ে কাজিৰঙাৰ পিছফালে থকা কাৰ্বি আংলঙৰ পাহাৰবোৰ খন্দাৰ কাম বন্ধ কৰিছে। এতিয়া কয়লা খনন আৰু open cast mining বন্ধ হৈছে। ঠিক তেনেদৰে অন্য mining খিনিৰ ক্ষেত্ৰতো চৰকাৰে দৃঢ়ভাৱে সু-ব্যৱস্থা গ্ৰহণ কৰিছে আৰু এইক্ষেত্ৰত আমাক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যথেষ্ট উৎসাহিত কৰিছে। আমি climate change প্ৰতিৰোধৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছো। এইখিনি নিয়ন্ত্ৰণ কৰিবৰ বাবে আমি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিম। শেহতীয়াভাৱে Oil India ৰ লগত আমাৰ যিখন চুক্তি হৈছিল , মই আশা কৰিছো সেইখিনি ৪০ ৰ ভিতৰত Zero net কৰিব পৰা যাব। এইখিনি হোৱাৰ পিছত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই লোৱা ভূমিকাখিনিয়ে আমাক আগবঢ়াই লৈ যাব পাৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। বিষয়টো গুৰুত্বপূৰ্ণ হোৱাৰ কাৰণে আপোনাক অলপ বেছি সময় দিয়া হ'ল। এতিয়া সদন অহা ১২ ফেব্ৰুৱাৰী, ২০২৪, সোমবাৰ ৰাতিপুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।